আজিৰ কাকত আজিয়েই
অষ্টম বৰ্ষপূৰ্তিত
News Next Oneৰ
বিশেষ সংযোজন
অনলাইন দৈনিক

www.newsnextone.com

# e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

THURSDAY, MARCH 07, 2024 | www.newsnextone.comৰ অনলাইন দৈনিক ।। প্ৰথম বছৰ, সংখ্যা ৬৯ | Guwahati, Assam ।। মূল্যঃ এটকা

## ৰাহুল গান্ধীক ভাৰতীয় নিৰ্বাচন আয়োগৰ বিশেষ পৰামৰ্শ

# প্ৰধানমন্ত্ৰী মোদীৰ কথা বেয়াকৈ একো নক'ব!



**নতুন দিল্লী, ৬ মাৰ্চঃ** লোকসভা নিৰ্বাচনৰ প্ৰস্তুতিৰ মাজতে কংগ্ৰেছ সাংসদ তথা দলৰ ষ্টাৰ কেম্পেইনাৰ ৰাহুল গান্ধীক প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী সম্পৰ্কে কটু মন্তব্য নকৰিবলৈ পৰামৰ্শ আগবঢ়াইছে নিৰ্বাচন আয়োগে। এই পৰামৰ্শত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ বিৰুদ্ধে যোৱা বছৰ কৰা মন্তব্যৰ প্ৰসংগ উল্লেখ কৰি নিৰ্বাচন আয়োগে ৰাহুল গান্ধীক শেষাংশ ২ পৃষ্ঠাত



ডিব্ৰুগড়ত মুখ্যমন্ত্ৰীৰ হাতখন এবাৰ চুই চোৱাৰ হেঁপাহ জনগণৰ, বুধবাৰে

## লখিমপুৰৰ ইছলামধৰ্মী ভোটাৰক কংগ্ৰেছ-ইউডিএফৰ মোহ এৰিবলৈ আহ্বান

### ১৫৫২ কোটি টকাৰ আঁচনি উপহাৰ

**ই-সংবাদ, লখিমপুৰ, ৬ মাৰ্চঃ** লোকসভা নিৰ্বাচনকেন্দ্ৰিক আঁচনিৰ উচৰ্গা অব্যাহত ৰাখিছে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই। নিৰ্বাচনৰ পূৰ্বে ভোটাৰক আকৰ্ষিত কৰিবলৈ নিতৌ মুখ্যমন্ত্ৰীয়ে ইখনৰ পাছত সিখন জিলাত আঁচনি মুকলি আৰু আধাৰশিলা স্থাপন কৰি আহিছে। আজি মুখ্যমন্ত্ৰী মুখ্যমন্ত্ৰীয়ে কেইবা কোটি টকাৰ শেষাংশ ৪ পৃষ্ঠাত

## ডিজিপিৰ বাপেকৰ বাপেক আহিলেও হ'ব প্ৰতিবাদঃ অখিল



**ই-সংবাদ, ৬ মাৰ্চঃ** শিৱসাগৰ সমষ্টিৰ বিধায়ক তথা ৰাইজৰ দলৰ সভাপতি অখিল গগৈয়ে আজি নগাঁও জিলা ভ্ৰমণ কৰে। নগাঁৱত উপস্থিত হৈ অখিল শেষাংশ ৫ পৃষ্ঠাত

## চিআইডিৰ কাৰ্যালয় পালে দেৱব্ৰত

### লগত গ'ল ভূপেন বৰা

**ই-সংবাদ, ৬ মাৰ্চঃ** লোকসভা নিৰ্বাচনৰ পূৰ্বে আৰক্ষী থানা আৰু চিআইডিৰ কাৰ্যালয়লৈ তাঁতবাতি কাঢ়িবলগীয়া হৈছে মুখ্য বিৰোধী শেষাংশ ৩ পৃষ্ঠাত

## দুখ পালে জি পি সিঙে!

**ই-সংবাদ, ৬ মাৰ্চঃ** শিৱসাগৰৰ বিধায়ক তথা ৰাইজৰ দলৰ সভাপতি অখিল গগৈয়ে আজি দুপৰীয়া ডিজিপি জি.পি সিঙৰ বাপেকৰ বাপেক আহিলেও 'কা' বিৰোধী আন্দোলন কৰিম বুলি দাবী কৰিছিল। তাৰ পাছতে ডিজিপি জি.পি সিঙে প্ৰত্যুত্তৰ দিছে অখিল গগৈক। জি.পি সিঙে শেষাংশ ৪ পৃষ্ঠাত

## মোদীৰ আগমনৰ প্ৰতিবাদ প্ৰকৃত অসমীয়াই নকৰেঃ মুখ্যমন্ত্ৰী



**ই-সংবাদ, ৬ মাৰ্চঃ** প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দুদিনীয়াকৈ অসম ভ্ৰমণৰ সময়ত যোৰহাটৰ লাহদৈগড়ত স্থাপন কৰা বীৰ লাচিত বৰফুকনৰ ১২৫ ফুট দৈৰ্ঘ্যৰ বিশাল প্ৰতিমূৰ্তি উন্মোচন কৰিব। ইতিমধ্যে ১১ পৃষ্ঠাত চাওক

## পৱন খেৰাক লগত লৈ ষ্টেট বেংকৰ বিৰুদ্ধে এপিচিচিৰ প্ৰতিবাদ




**ই-সংবাদ, ৬ মাৰ্চঃ** গুৱাহাটী মহানগৰীত আজি ভাৰতীয় ষ্টেট বেংকৰ শেহতীয়া সিদ্ধান্তৰ বিৰুদ্ধে তীব্ৰ আন্দোলন সাব্যস্ত কৰে কংগ্ৰেছে। দিছপুৰস্থিত ষ্টেট বেংক অৱ ইণ্ডিয়াৰ ক্ষেত্ৰীয় কাৰ্যালয়ৰ সমীপত ৰাষ্ট্ৰীয় নেতা পৱন খেৰা আৰু মহিমা শেষাংশ ৫ পৃষ্ঠাত

## কাকতালীয় সংযোগক লৈ ৰহস্য! জয়ন্তমল্ল বৰুৱাৰ ভিডিঅ' ভাইৰেল

# খানাপাৰাৰ দুৰ্ঘটনাগ্ৰস্ত এলেকাত মন্ত্ৰীৰ তৎপৰতা!

**ই-সংবাদ, ৬ মাৰ্চঃ** হঠাৎ মহানগৰীৰ যান-জঁটক লৈ তৎপৰ হৈ পৰিল মন্ত্ৰী জয়ন্ত মল্ল বৰুৱা। মন্ত্ৰীৰ কনভয়ৰ খুন্দাত এজন যুৱকৰ মৃত্যুৰ পিছতে দুৰ্ঘটনাস্থলীৰ পৰা কিছু দূৰৈত ৰাজপথৰ যান-জঁটক লৈ তৎপৰ হৈ পৰা জয়ন্তমল্লৰ এটা ভিডিঅ' ইতিমধ্যে ভাইৰেল হৈ পৰিছে ছ'চিয়েল মিডিয়াত। উল্লেখ্য যে, ৩ মাৰ্চৰ নিশা খানাপাৰা এলেকাত মন্ত্ৰী পীযুষ হাজৰিকাৰ কনভয়ে এখন বাইকত খুন্দা মৰাত ৰূপম বৰা নামৰ এজন ৩০ বছৰীয়া যুৱক নিহত হয়। ইয়াৰোপৰি আন এজন যুৱকো হাস্পতালত ভৰ্তি হ'বলগীয়া হয়। বতাহৰ গতিৰে ৰাজপথেৰে দৌৰা মন্ত্ৰীৰ কনভয়ে এনেদৰে যুৱকৰ প্ৰাণ কাঢ়ি নিয়াক লৈ সামাজিক মাধ্যমত ব্যাপক চৰ্চা চলি থকাৰ সময়তে ৪ মাৰ্চৰ আবেলি খানাপাৰাৰ পৰা ডেৰ কিলোমিটাৰ নিলগৰ বেলতলাৰ ৰাজপথত ব্যস্ত দেখা গ'ল মন্ত্ৰী জয়ন্তমল্ল বৰুৱাক। জয়ন্তমল্ল বৰুৱাই বেলতলা তিনিআলিত কনভয় ৰখাই ট্ৰেফিক ব্যৱস্থাৰ স্বৰূপ উদঙাই দিয়াৰ ভিডিঅ' এতিয়া ভাইৰেল হৈছে সামাজিক মাধ্যমত। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ দৰেই অন কেমেৰা ধমক দি ভাল পোৱা জয়ন্ত মল্ল বৰুৱাইও যান-জঁট নিয়ন্ত্ৰণত ব্যৰ্থ ট্ৰেফিক আৰক্ষীক পথৰ দাঁতিত ৰখাই গাড়ীৰ ভিতৰৰ পৰাই নীতি শিক্ষা দিয়া পৰিলক্ষিত হয়। আনহাতে ট্ৰেফিকজনৰ বিৰুদ্ধে অন কেমেৰাত ফোন কৰি উচ্চপদস্থ বিষয়াক অভিযোগো দিয়ে মন্ত্ৰী জয়ন্তমল্ল বৰুৱাই। মহানগৰীৰ বেলতলা তিনিআলিত কনভয় ৰখাই ট্ৰেফিকক জবাবদিহি কৰিবলৈ প্ৰায় ৪০ মিনিট অতিবাহিত কৰে মন্ত্ৰী বৰুৱাই। জানিব পৰা মতে, ৪ মাৰ্চৰ সন্ধিয়া নলবাৰীৰ পৰা দিছপুৰলৈ আহি থকাৰ সময়তে মন্ত্ৰী জয়ন্তমল্ল বৰুৱাই বেলতলা তিনিআলিত তীব্ৰ যান-জঁটত পৰে। যান-জঁটত আৱদ্ধ লোকসকলৰ মাজতে আছিল জয়ন্তমল্ল বৰুৱাৰ কনভয়। তাৰ পাছতে কনভয় ৰখাই কৰ্তব্যৰত ট্ৰেফিকক মাতি আনিবলৈ কয়। সেই সময়ত কৰ্তব্যত থকা ট্ৰেফিক এজন অন্য ঠাইত থিয় হৈ আছিল। লগে লগে ট্ৰেফিকজন জয়ন্তমল্ল বৰুৱাই বহি থকা গাড়ীৰ কাষত থিয় হয়। তাৰ পাছতে ট্ৰেফিকজনক ইটো সিটো শুনাবলৈ আৰম্ভ কৰে বৰুৱাই। জয়ন্তমল্ল বৰুৱাই প্ৰশ্ন কৰে ইয়াত কোন থানাৰ পৰা আহে। ট্ৰেফিক জনে কয় বশিষ্ঠ থানা। ট্ৰেফিক ইন-চাৰ্জক ফোন লগা। আপোনাক ডিউটি দিছে যদি আপোনাক মই সদায় দেখা নাপাও। এইফালেৰে আহিলেই মোৰ চকুত পৰে যে ট্ৰেফিক নাথাকে। তাৰ পাছতে গাড়ীৰ ভিতৰত বহিয়েই গুৱাহাটীৰ আৰক্ষী আয়ুক্ত আৰু বশিষ্ঠ থানাৰ যান-বাহন শাখাৰ দায়িত্বত থকা ভাৰপ্ৰাপ্ত বিষয়াজনক ফোন লগায় মন্ত্ৰীয়ে। তেওঁ ফোনতে যান-বাহন শাখাৰ ভাৰপ্ৰাপ্ত বিষয়াজনক কয় 'মই বেলতলাৰ ট্ৰেফিক পইণ্টত আছো। যেতিয়াই মই ইপিনে যাও তেতিয়াই ট্ৰেফিক পইণ্টত কাকো দেখা নাপাও। ট্ৰেফিক নাথাকে? যিফালে-সিফালে গাড়ী চলায়। ইমান বিজি পইণ্টত সদায়েই মই এয়াই দেখা পাও।' মন্ত্ৰীজনে পুনৰ কয়, 'মই সদায়েই এই পইণ্টত দেখি অসহ্য হৈ গৈছো। দেখি দেখি আজি মই ইচ্ছা কৰি ৰখি দিছো। বৈ দেখিলো ট্ৰেফিক পুলিচ এজন অলপ দূৰত ক'ৰবাত ৰখি আছে। ইয়ালৈ আহি আপুনি কমন মানুহক আহি সুধিব। কোনো কণ্ট্ৰ'ল নাই। ট্ৰেফিকে ডিউটি কৰিব লাগে। আপোনালোকে বহি আলোচনা কৰিব।' ফোনটো কাটি জয়ন্তমল্ল বৰুৱাই কাষত থিয় দি থকা ট্ৰেফিকজনক কয় যে প্ৰথমদিনা একো কোৱা নাই। ইয়াৰ পাছত কিন্তু মই কম। মই কমিচনাৰকো কৈছো। কি ডিউটি আছে কৰি লওক। এতিয়া প্ৰশ্ন উঠিছে যে সাধাৰণ লোকে যান-জঁটত পৰি ঘণ্টাৰ পাছত ঘণ্টা ধৰি বোন্দাপৰ দিবলগীয়া হয়। কিন্তু যান-জঁটৰ সমস্যা সমাধান কৰিবলৈ মন্ত্ৰীয়ে যান-জঁটত পৰাত নিজেই একচন মুডত আহিবলগীয়া হয়। এই সকলো কাণ্ড সংঘটিত হৈছিল মন্ত্ৰীৰ কনভয়ৰ খুন্দাত যুৱকৰ প্ৰাণ যোৱাৰ কেইঘণ্টামানৰ পাছতে। যাৰ বাবে একাংশ লোকে মন্ত্ৰীগৰাকীৰ ৰাজপথৰ তৎপৰতা আৰু কনভয়ৰ খুন্দাত যুৱকৰ নিহত হোৱা ঘটনাৰ মাজত কাকতালীয় সংযোগ বিচাৰি পাইছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

## প্ৰধানমন্ত্ৰী মোদীৰ কথা

ভৱিষ্যতে ৰাজহুৱা সভাত দিয়া ভাষণক লৈ অধিক সতৰ্ক হ'বলৈকো সকীয়াই দিয়ে। উল্লেখ্য যে, বিগত বৰ্ষৰ নৱেম্বৰ মাহত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীকে ধৰি বিজেপিৰ নেতাৰ বিৰুদ্ধে 'পনৌতি' আৰু 'জেব কাটৰা'ৰ (পকেটমাৰ) দৰে শব্দ ব্যৱহাৰ কৰিছিল কংগ্ৰেছ নেতা ৰাহুল গান্ধীয়ে। মোদী চৰকাৰে সাধাৰণ জনতাৰ পকেটৰ পৰা ধন উলিয়াই পুঁজিপতিক প্ৰদান কৰাৰ প্ৰসংগত এইদৰে মন্তব্য কৰিছিল গান্ধীয়ে। কিন্তু কংগ্ৰেছ নেতাগৰাকীৰ এই মন্তব্যৰ পিছতে তেওঁৰ ভাষণৰ ওপৰত নিজৰ স্থিতি বিচাৰি ২৩ নৱেম্বৰত ৰাহুল গান্ধীক জাননী জাৰি কৰিছিল নিৰ্বাচন আয়োগে। এই বিষয়টোক লৈ দিল্লী উচ্চ ন্যায়ালয়ত আবেদন দাখিল কৰাত আদালতে নিৰ্বাচন আয়োগক এই সন্দৰ্ভত ব্যৱস্থা গ্ৰহণ কৰিবলৈ কৈছিল। ইয়াৰ পিছতে মোদীৰ বিৰুদ্ধে 'পনৌতি' আৰু জেবকাটৰা'ৰ দৰে শব্দ ব্যৱহাৰ কৰাৰ বাবে নিৰ্বাচন আয়োগে জাননী প্ৰেৰণ কৰিছে ৰাহুল গান্ধীলৈ। নিৰ্বাচন আয়োগে ১ মাৰ্চত ৰাহুল গান্ধীলৈ জাননী প্ৰেৰণ কৰি প্ৰচাৰৰ সময়ত বিশেষ সাৱধানতা অৱলম্বন কৰিবলৈ আহ্বান জনাইছে। সূত্ৰ অনুসৰি, ২০২৩ চনৰ ২১ ডিচেম্বৰত দিল্লী উচ্চ ন্যায়ালয়ৰ নিৰ্দেশৰ প্ৰতি লক্ষ্য ৰাখি আৰু এই সন্দৰ্ভত ৰাহুল গান্ধীয়ে দিয়া উত্তৰৰ প্ৰতি লক্ষ্য ৰাখি নিৰ্বাচন আয়োগে কংগ্ৰেছৰ নেতাগৰাকীক পৰামৰ্শ জাৰি কৰিছে আৰু ভৱিষ্যতে ভাষণৰ সময়ত সতৰ্কতা অৱলম্বন কৰিবলৈ কোৱা হৈছে। লগতে ৰাহুল গান্ধীক তেওঁৰ দলৰ সকলো তাৰকা প্ৰচাৰক আৰু প্ৰাৰ্থীক এই পৰামৰ্শৰ বিষয়ে অৱগত কৰিবলৈও আহ্বান জনাইছে আয়োগে। ইফালে, আয়োগৰ এই পৰামৰ্শৰ পিছতে একাংশ নেটিজেনে নিৰ্বাচন আয়োগকো নামৰ পিছফালে 'মোদী কা পৰিবাৰ' লিখি ল'বলৈ আহ্বান জনোৱা দেখা গৈছে। আন একাংশই আকৌ বিজেপিয়ে যাতে অনায়াসে তৃতীয়বাৰৰ বাবে চৰকাৰ গঠন কৰিব পাৰে তাৰ বাবে এইবাৰ মোদীৰ বিৰুদ্ধে প্ৰচাৰ নচলাবলৈকো ৰাহুল গান্ধীক পৰামৰ্শ দিব লাগে বুলিও কটাক্ষ কৰিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# চিআইডিৰ কাৰ্যালয় পালে দেৱব্ৰত

কংগ্ৰেছৰ নেতাসকল। ইপিনে লোকসভা নিৰ্বাচনক লৈ আঁচনি ৰূপায়নৰ প্ৰতিযোগিতাত ব্যস্ত শাসকীয় বিজেপি। গোচৰ ৰুজু কৰি বিৰোধীক থানা আৰু চিআইডিৰ কাৰ্যালয়ত ব্যস্ত ৰাখি বিজেপিয়ে লোকসভা নিৰ্বাচনক লৈ ব্যস্ত হৈ পৰিছে। ৰাহুল গান্ধীৰ ন্যায় যাত্ৰাত ৰাজহুৱা সম্পত্তিৰ ক্ষতি আৰু বিশৃংখল পৰিস্থিতিৰ সৃষ্টি কৰাৰ অভিযোগত অসম আৰক্ষীয়ে ৰুজু কৰা গোচৰত আৰক্ষী থানা আৰু চিআইডিৰ কাৰ্যালয়ত হাজিৰ হ'বলগীয়া হৈছে কংগ্ৰেছী নেতাসকল। প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰা আৰু কাৰ্যকৰী সভাপতি জাকিৰ হুছেইন শিকদাৰক লগত লৈ আজি অসম আৰক্ষীৰ চিআইডিৰ কাৰ্যালয়ত হাজিৰ হয় বিৰোধী দলপতি তথা কংগ্ৰেছ নেতা দেৱব্ৰত শইতীয়া। এদিন পূৰ্বে বিৰোধী দলপতিক বিশেষ তদন্ত সমিতিয়ে চিআইডিৰ কাৰ্যালয়ত হাজিৰ হ'বলৈ চমন দিছিল। কংগ্ৰেছৰ মহানগৰ সমিতিৰ সাধাৰণ সম্পাদক ৰমেন কুমাৰ শৰ্মাকো চমন জাৰি কৰিছিল। তাৰ পাছতে আজি চিআইডিৰ কাৰ্যালয়ত হাজিৰ হয় বিৰোধী দলপতি দেৱব্ৰত শইকীয়া। দীৰ্ঘ সময়ত শইকীয়াক চিআইডিৰ দলে সোধ-পোছ কৰে। সোধ-পোছৰ অন্তত আহিবলৈ দিয়ে। প্ৰয়োজনত পুনৰ চিআইডিৰ কাৰ্যালয়লৈ মতা হ'ব পাৰে। দেৱব্ৰত শইকীয়াই কয় যে সাম্প্ৰদায়িক মন্তব্য দিয়া চৰকাৰে বদৰুদ্দিন আজমলক ৰক্ষণা-বেক্ষণ দিয়াৰ অভিযোগ উত্থাপন কৰি কয় যে আজমৰ বিৰুদ্ধে বিৰুদ্ধে অসমৰ বিভিন্ন থানাত গোচৰ ৰুজু হৈছে। কিন্তু আজমলক সুবিধা কৰি দিয়াৰ বাবে সকলো গোচৰ একত্ৰিত কৰা হৈছে। কিন্তু কংগ্ৰেছৰ নেতাৰ বিৰুদ্ধে থকা গোচৰত বিভিন্ন স্থানলৈ মাতি হাৰাশাস্তি কৰিব বিচাৰিছে। উল্লেখ্য যে, যোৱা ২৩ জানুৱাৰীত ৰাহুল গান্ধীৰ ন্যায় যাত্ৰা মেঘালয়ৰ পৰা গুৱাহাটীত প্ৰৱেশ কৰিছিল। কিন্তু তাৰ পূৰ্বেই হিমন্ত বিশ্ব শৰ্মাই গুৱাহাটীত প্ৰৱেশ কৰিব নিদিয়াৰ হুংকাৰ প্ৰদান কৰি গোচৰ ৰুজু কৰাৰ হুংকাৰ দিছিল। ইমানে নহয় প্ৰয়োজনত গ্ৰেপ্তাৰ কৰা হ'ব কৈছিল। গুৱাহাটীৰ খানাপাৰাত ভাৰত জোড়ো ন্যায় যাত্ৰা উপস্থিত হোৱাত অসম আৰক্ষীয়ে বেৰিকেড স্থাপন কৰি বাধা দিয়ে। প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাক বগৰাই মাটিক পেলাই দিছিল। সমানে কংগ্ৰেছ নেতা-কৰ্মী আৰু আৰক্ষীৰ মাজত টনা-আঁজোৰা লাগে। কংগ্ৰেছ নেতা-কৰ্মীয়ে বেৰিকেড ভাঙি পেলোৱাৰ অভিযোগ উঠে। আৰক্ষীয়ে লাঠীচালনা কৰাত ভূপেন বৰাসহ বহু কংগ্ৰেছ নেতা-কৰ্মী আহত হৈছিল। ৰাজহুৱা সেৱকৰ আইনী আদেশ অমান্য, অনুমতিৰ চৰ্ত উলংঘা, কৰ্তব্যৰত চৰকাৰী কৰ্মচাৰীক কৰ্তব্য পালনত বাধা-আক্ৰমণ, ৰাজহুৱা সম্পত্তিৰ ক্ষতিৰ অভিযোগ উত্থাপন কৰে খোদ মুখ্যমন্ত্ৰীয়ে। মুখ্যমন্ত্ৰীয়ে আৰক্ষীক ব্যৱস্থা ল'বলৈ কয়। আৰক্ষীয়ে বিশেষ তদন্ত সমিতি গঠন কৰাৰ লগতে চিআইডিয়ে গোচৰ ৰুজু কৰে। কংগ্ৰেছ নেতা ৰাহুল গান্ধী, জিতেন্দ্ৰ সিং, কে.চি বেনুগোপাল, জয়ৰাম ৰমেশ, শ্ৰীনিবাস বি.ভি, কানহায়া কুমাৰ, দেৱব্ৰত শইকীয়া, ভূপেন বৰা, জাকিৰ হুছেইন শিকদাৰ, ৰমেন কুমাৰ শৰ্মাৰ বিৰুদ্ধে গোচৰ ৰুজু হয়। চমন জাৰি কৰি সোধ-পোছৰ বাবে কংগ্ৰেছে নেতাসকলক চিআইডিৰ কাৰ্যালয়লৈ হাজিৰ হোৱাৰ নিৰ্দেশ দিছে। আজি দেৱব্ৰত শইকীয়াই চিআইডিৰ কাৰ্যালয়ত হাজিৰ হয়। আনহাতে, অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাকো চিআইডিয়ে চমন জাৰি কৰিছে। ৭ মাৰ্চত চিআইডিৰ কাৰ্যালয়ত ভূপেন বৰাক উপস্থিত হ'বলৈ নিৰ্দেশ দিছে চিআইডিয়ে।

# গুৱাহাটীলৈ আহি অসম কংগ্ৰেছক খেৰাই দিলে গোপন মন্ত্ৰণা

**ই-সংবাদ, ৬ মাৰ্চঃ** লোকসভা নিৰ্বাচনৰ পূৰ্বে নিখিল ভাৰত কংগ্ৰেছৰ মিডিয়া আৰু প্ৰচাৰ বিভাগৰ অধ্যক্ষ পৱন খেৰাই দলীয় কাৰ্যসূচী লৈ অসম ভ্ৰমণলৈ আহিছে। মিডিয়া বিভাগৰ নেতৃত্বত থকা নেতাসকলৰ সৈতে কেইবাখনো বৈঠক অনুষ্ঠিত কৰে। লোকসভা নিৰ্বাচনৰ পূৰ্বে শাসকীয় পক্ষক আক্ৰমণ কৰিব পৰা প্ৰচাৰৰ ৰণনীতি তৈয়াৰ কৰিবলৈ বৈঠকত সমূহত আলোচনা হোৱা বুলি জানিব পৰা গৈছে। ৰাজ্যিক নেতাৰ সৈতে সুকীয়া সুকীয়াকৈ বহে খেৰাই। খেৰাই দলৰ ক্ষতি হ'ব পৰা কছৰৎ নকৰিবলৈ আৰু দলৰ ক্ষতি হ'ব পৰা মন্তব্য দিলে ব্যৱস্থা লোৱা হ'ব বুলি কঠোৰ ইংগিত দিয়া বুলি জানিব পৰা গৈছে। দলীয় নেতাক বিসম্বাদ পৰিহাৰ কৰি একত্ৰিত হৈ অসমৰ কমেও ৭ খন আসন দখলৰ লক্ষ্য ল'বলৈ কয়। পৱন খেৰাই আজি গুৱাহাটীত এখন সংবাদমেলৰ আয়োজন কৰে। সংবাদমেল যোগে শাসকীয় পক্ষক তীব্ৰ আক্ৰমণ কৰি কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰক বিফল আখ্যা দিয়ে। খাদ্য সামগ্ৰীৰ মূল্যবৃদ্ধি, গেছৰ দাম বৃদ্ধি, নিবনুৱাৰ সংস্থাপন দিব নোৱাৰা আৰু মণিপুৰক লৈ চৰকাৰক তীব্ৰ আক্ৰমণ কৰে। প্ৰধানমন্ত্ৰীয়ে অসমলৈ আহিলে মণিপুৰক কিয় নাযায় বুলি কটাক্ষ কৰি এইবাৰ অসমলৈ আহি মোদীয়ে হিংসা জৰ্জৰিত মণিপুৰলৈ যাওক বুলি তীব্ৰ আক্ৰমণ কৰে। ইপিনে কেন্দ্ৰীয় চৰকাৰে 'কা' বলবৎ কৰিব খোজাত প্ৰতিক্ৰিয়া ব্যক্ত কৰি পৱন খেৰাই কংগ্ৰেছ শাসনলৈ আহিলে নাগৰিকত্ব সংশোধনী আইন বাতিল হ'ব বুলি ঘোষণা কৰে। ৰাজীৱ ভৱনত সংবাদমেল সম্বোধন কৰি বিৰোধী কংগ্ৰেছৰ ৰাষ্ট্ৰীয় নেতাগৰাকীয়ে কয় যে কংগ্ৰেছ চৰকাৰলৈ আহিলে 'কা' বাতিল কৰা হ'ব। অসমৰ লাখ লাখ লোকৰ ত্যাগ-বলিদানৰ ফলত অসম চুক্তি কৰা হৈছিল। যদি 'কা' বলবৎ হয় তেন্তে অসম চুক্তিক লৈ থকা আইনখন উলংঘা হ'ব। 'কা'ৰ দ্বাৰা অসম চুক্তিক অপমানিত কৰা হৈছে। অসম চুক্তিয়ে দিয়া ১৯৭১ চনৰ ভিত্তিবৰ্ষক এই আইনে অমান্য কৰিছে। তেওঁ আমাৰ নহ'ল। সেইজন এওলোকৰ কেনেকৈ হ'ব? মুখ্যমন্ত্ৰীৰ 'মামা' নামটোক লৈ মন্তব্য প্ৰকাশ কৰি মধ্য প্ৰদেশত আৰু এজন 'মামা' শিৱৰাজ সিং চৌহন আছে। সেইজন 'মামা' শিৱৰাজ সিং চৌহানৰ আজি কি অৱস্থা। এইজন 'মামা'ৰ একেই অৱস্থা হ'ব। এনে গড্ডাৰৰ কথা বেছিকৈ কৈ লাভ নাই। যিজনে কংগ্ৰেছক গড্ডাৰি কৰিছে, সেইজনে নৰেন্দ্ৰ মোদীক নকৰিব নেকি বুলিও প্ৰশ্ন কৰে পৱন খেৰাই। মূলত পৱন খেৰাই সংবাদমেলত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক আক্ৰমণৰ লক্ষ্য কৰি লয়। কংগ্ৰেছ চৰকাৰলৈ আহিলে অসমৰ মুখ্যমন্ত্ৰীয়ে কৰা দুৰ্নীতি-ভ্ৰষ্টাচাৰৰ তদন্ত হ'ব। জনতাক ন্যায় প্ৰদান কৰা হ'ব। মুখ্যমন্ত্ৰীৰ পৰিয়ালৰ ভূ-সম্পত্তিক লৈও জনতাক ন্যায় দিয়া হ'ব। মুখ্যমন্ত্ৰীয়ে কৰা সকলো অন্যায়ৰ উত্তৰ দিয়া হ'ব। অসমত মুখ্যমন্ত্ৰীয়ে সৃষ্টি কৰা ভয়ৰ পৰিৱেশ দূৰ কৰি কংগ্ৰেছে ন্যায় প্ৰদান কৰিব বুলিও দাবী কৰে ৰাষ্ট্ৰীয় নেতা পৱন খেৰাই। দেশত নিতৌ কৃষকে আত্মহত্যা কৰিছে, কিন্তু মোদীয়ে কৃষকক গেৰাণ্টী নিদিয়ে। যাৰ বাবে ৰাহুল গান্ধীয়ে কৃষকৰ লগতে সকলোকে ন্যায় প্ৰদান কৰিবলৈ ন্যায় যাত্ৰা কৰিছে। দেশত প্ৰতি ঘণ্টাত এজন কৃষক আৰু দুই নিবনুৱাই আত্মহত্যা কৰে। সেয়েহে কৃষক, যুৱকৰ স্বাৰ্থত ৰাহুল গান্ধীয়ে ন্যায় যাত্ৰা কৰিছে। এই যাত্ৰাৰ প্ৰয়োজন আছে বুলি দাবী কৰে পৱন খেৰাই। লোকসভা নিৰ্বাচনত অসমত এইবাৰ বিৰোধী তথা কংগ্ৰেছৰ জয় নিশ্চিত বুলি দাবী কৰি খেৰাই কয় যে বিজেপিৰ প্ৰাৰ্থী তালিকাই কংগ্ৰেছৰ যুঁজৰ আধা কম কৰিছে। অসমত বিজেপিয়ে কংগ্ৰেছক ভয় খাইছে। সেয়েহে বাৰে বাৰে প্ৰধানমন্ত্ৰীক মাতি আনি সভা কৰিছে। উল্লেখ্য যে আজি খেৰাই এক প্ৰতিবাদতো ভাগ লয়।

প্ৰথম পৃষ্ঠাৰ পৰা...

# লখিমপুৰৰ ইছলামধৰ্মী ভোটাৰক

আঁচনি মুকলি আৰু আধাৰশিলা স্থাপনৰ বাবে লখিমপুৰ আৰু ডিব্ৰুগড় জিলা ভ্ৰমণ কৰে। লখিমপুৰত বিকাশ যাত্ৰাৰ অধীনত কেইবাটাও আঁচনিৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে। ৪০৭ কোটি টকাৰ উন্নয়নমূলক প্ৰকল্প ৰাইজক উচৰ্গা কৰিবলৈ আজি জিলা প্ৰশাসনৰ উদ্যোগত লখিমপুৰৰ চুকুলিভৰীয়াত এখন জনসভা অনুষ্ঠিত হয়। মুখ্যমন্ত্ৰীয়ে ৪৬টা উন্নয়নমূলক প্ৰকল্পৰ শুভ উদ্বোধন আৰু শিলান্যাস কৰে। বিকাশ যাত্ৰাৰ সপ্তম দিনটোত লখিমপুৰ জিলাৰ চকুলীভৰীয়াত সন্মিলন কেন্দ্ৰ, ৰঙানদীত শীতলকৰণ ভঁৰাল, ঢকুৱাখনা আৰু উত্তৰ লখিমপুৰত আৱৰ্ত ভৱন, গান্ধী উদ্যান, সাংস্কৃতিক প্ৰকল্পকে ধৰি সৰ্বমুঠ ৮০৭ কোটি টকা ব্যয়সাপেক্ষে ৪৬টা বিভিন্ন প্ৰকল্প উদ্বোধন কৰে। নকাড়ীৰ ৰঙাজান পথত ৰে'লৱে অভাৰ ব্ৰীজ নিৰ্মাণ, উত্তৰ লখিমপুৰ নগৰ পানী যোগান আঁচনি আৰু উত্তৰ লখিমপুৰ টাউন হল নিৰ্মাণৰ ভূমি পূজন কৰে। জিলাখনৰ ৮খন চাহ বাগিচালৈ একোখনকৈ এম্বুলেঞ্চ প্ৰদান কৰে মুখ্যমন্ত্ৰীয়ে। লখিমপুৰ জিলাৰ চকুলীভৰীয়াত সন্মিলন কেন্দ্ৰটো মুকলি কৰি ১২০খন আসন সম্বলিতকেন্দ্ৰটোৱে জিলা প্ৰশাসনৰ লগতে লখিমপুৰবাসীৰ বাবে বিভিন্ন অনুষ্ঠানৰ আয়োজনত বিশেষ সহায়ক হ'ব বুলি কয় মুখ্যমন্ত্ৰীয়ে। জিলাখনৰ নাৰায়ণপুৰত ১০০খন বিছনাযুক্ত জিলা চিকিৎসালয়ৰ শিলান্যাস কৰে মুখ্যমন্ত্ৰীয়ে। বিশ্ব বেংকৰ প্ৰায় ১১৩ কোটি টকাৰ পুঁজিৰে ২৪ মাহ নিৰ্ধাৰিত সময়সীমাত নিৰ্মাণ হ'বলগীয়া জিলা চিকিৎসালয়খন বৰ্তমানৰ মহাত্মা গান্ধী আদৰ্শ চিকিৎসালয়ৰ ভূমিতে প্ৰায় ২২ বিঘা ভূমি সামৰি নিৰ্মাণ কৰা হ'ব। একেটা দিনতে মুখ্যমন্ত্ৰীয়ে ডিব্ৰুগড় জিলাত ৭৪৫ কোটি টকা ব্যয়সাপেক্ষ উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু শিলান্যাস কৰে। নামচাং চাহ বাগিচাত PMAY-Gৰ ১১৩টা আৱাস গৃহৰ কলনী, ডিব্ৰুগড় পানী যোগান আঁচনি, মৰাণ স্প'ৰ্টছ কমপ্লেক্স আৰু চাবুৱাত নিৰ্মাণ কৰা ক্ৰীড়া প্ৰকল্প। ৬১.৬৬ কিলোমিটাৰ পথৰ উন্নয়নৰ ভূমি পূজন কৰে। শ্ৰীশ্ৰীঅনিৰুদ্ধদেৱ ক্ৰীড়া বিশ্ববিদ্যালয়, সহকাৰী শ্ৰম আয়ুক্তৰ স্থায়ী কাৰ্যালয় ভৱনৰ শিলান্যাস, চাহ বাগিচাৰ ৰোগীৰ বাবে ১৩২খন এম্বুলেন্স সেৱাও উদ্বোধন কৰে। বাগিচাখনৰ বাসিন্দাসকলৰ উমৈহতীয়া প্ৰচেষ্টা আৰু চৰকাৰৰ দিহা-পৰামৰ্শৰে প্ৰধানমন্ত্ৰী আৱাস যোজনা-গ্ৰামীণৰ এক সংহত কলনী নিৰ্মাণ কৰাটোহে শ্ৰমিকসকলৰ বাবে অধিক উপযোগী হ'ব বুলি বিবেচনা কৰি সেই দিশত চৰকাৰে পদক্ষেপ গ্ৰহণ কৰা বুলি কয় মুখ্যমন্ত্ৰীয়ে। সৰ্বমুঠ ৫,৩৬,৩৬,৯৯৩ টকা ব্যয়সাপেক্ষে নিৰ্মিত কলনীটো পেভাৰ্ছ ব্লকৰ পথ নিৰ্মাণ, বিদ্যুৎ সংযোগ, পানী যোগান, অনাময় শৌচাগাৰ, শিশু উদ্যান, সৌৰ শক্তিৰ ব্যৱস্থা আদিৰে সমৃদ্ধ কৰা হৈছে। মুখ্যমন্ত্ৰীয়ে এই কলনীত আদৰ্শ অংগনৱাড়ী কেন্দ্ৰ আৰু পানী যোগান কেন্দ্ৰও উদ্বোধন কৰে। মুখ্যমন্ত্ৰীয়ে উজনিত বিভিন্ন আঁচনি উদ্বোধন আৰু শুলান্যাস কৰি সাংবাদিকেৰে মুখামুখি হৈ কেইবাটাও মন্তব্য প্ৰদান কৰিছে। মুখ্যমন্ত্ৰীয়ে ঘোচ খোৱা আৰু সুদৰ টকা খোৱাসকলৰ দৰেই অসমত তীৰ আৰু লটাৰী বন্ধ কৰা হ'ব বুলি কয়। ৰাজ্যত লটাৰী খেল আৰু তীৰ খেলৰ বিৰুদ্ধে বৃহৎ অভিযান চলাব অসম আৰক্ষীয়ে। ইপিনে লখিমপুৰত দুটা সমষ্টিৰ ইছলামধৰ্মীক কঠোৰ সকীয়নি প্ৰদান কৰে মুখ্যমন্ত্ৰীয়ে। মুখ্যমন্ত্ৰীয়ে নাওবৈচা সমষ্টিক নাওবৈচা আৰু ৰঙানদী সমষ্টি কৰাত মন্তব্য দি কয় যে সমষ্টিৰ ইছলামধৰ্মী লোকসকলে কংগ্ৰেছ, ইউডিএফৰ মোহ এৰিব লাগে। নহ'লে সদায় ভেন্সাৰ হৈ থাকিব লাগিব বুলি কোৱাৰ লগতে এইবাৰ সমষ্টি দুটা পৃথক হৈছে, বিধায়কো প্ৰাদেশীকৃত হ'ব বুলি কয়। সভাত সাংসদ প্ৰদান বৰুৱা, বিধায়ক মানৱ ডেকা উপস্থিত থাকে। ডিব্ৰুগড়ত মুখ্যমন্ত্ৰীৰ সৈতে কেন্দ্ৰীয় মন্ত্ৰী তেলী, মন্ত্ৰী ৰণজিৎ দাস, সঞ্জয় কিষাণ, বিধায়ক বিনোদ হাজৰিকা, তৰংগ গগৈ উপস্থিত থাকে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# দুখ পালে জি পি সিঙে!

এক্সত পোষ্ট দি দুখ পোৱা বুলি উল্লেখ কৰি পিতৃ আৰু তেওঁলোকৰ পূৰ্বপুৰুষক সমালোচনাৰ মাজলৈ টানি নানিবলৈ অখিল গগৈক আহ্বান জনায়। জি.পি সিঙে কয় 'সন্মানীয় জনপ্ৰতিনিধি বিধায়ক অখিল গগৈ ডাঙৰীয়া মই আপোনাক বিনম্ৰভাৱে অনুৰোধ জনাও যে আপুনি মোৰ স্বৰ্গীয় পিতৃ আৰু পিতৃৰ পিতৃক বৰ্তমানৰ সমালোচনা তথা বিতৰ্কৰ পৰা আঁতৰত ৰাখিবলৈ অনুৰোধ জনাইছো। আপুনি মোৰ পেছাদাৰী কৰ্তব্য পালনৰ সৈতে অসন্মত হ'ব পাৰে। আইনী বিকল্পসহ মোৰ পেছাদাৰী কৰ্তব্য পালনত বিৰুদ্ধাচাৰণ কৰিবলৈ আপুনি মুক্ত। অৱশ্যে, মই আপোনাক বিনম্ৰভাৱে অনুৰোধ কৰিম যে মোৰ স্বৰ্গীয় পিতৃ, মোৰ জীৱনৰ বাবে ঈশ্বৰৰ সমান। পিতৃক ৰাজহুৱা সমালোচনা আৰু বিতৰ্কৰ মাজলৈ নানিব। মই মানসিকভাৱে গভীৰ আঘাত পাইছো আৰু দুখ পাইছো। উল্লেখ্য যে, অসম আৰক্ষীৰ সঞ্চালক প্ৰধান জি.পি সিঙক আজি আক্ৰমণৰ লক্ষ্য কৰি লয় অখিল গগৈয়ে। জি.পি সিঙক কোন বুলি প্ৰশ্ন কৰে অখিল গগৈয়ে। অখিল গগৈয়ে অসমীয়া জাতিক ৰঙা চকু দেখুৱাবলৈ জি.পি সিং কোন বুলি প্ৰশ্ন কৰে? জি.পি সিঙক প্ৰত্যাহ্বান জনাই আৰক্ষীৰ মুৰব্বীৰ দৰে কথা কওক বুলি সকীয়াই দি অখিল গগৈয়ে কয় 'ডিজিপিয়ে কৈছে যে তোমালোকে প্ৰতিবাদ কৰিব নোৱাৰিবা। প্ৰতিবাদ কৰিলে সমস্ত ব্যয় তোমালোকে বহন কৰিব লাগিব। ভাৰতৰ সংবিধানে আমাক একলগ হোৱাৰ অধিকাৰ প্ৰদান কৰিছে। প্ৰতিবাদ কৰাৰ অধিকাৰ প্ৰদান কৰিছে। গণতান্ত্ৰিভাৱে যদি প্ৰতিবাদ কৰো ডিজিপি নালাগে, ডিজিপিৰ বাপেকৰ বাপেক আহিলেও কোনোপধ্যে আমাক বাৰণ কৰিব নোৱাৰে। অসমীয়া জাতিক ৰঙা চকু দেখুৱাবলৈ জি.পি সিঙৰ কোনো অধিকাৰ নাই। আমি 'কা' নামানো। আমি প্ৰতিবাদ কৰিম। ব্লেককেট, কমাণ্ডো নমালেও অন্য কিবা কৰি বাহাদুৰি কৰিলে নচলিব।' এনেদৰে এতিয়া অখিল-লুৰীণকে ধৰি বিৰোধী নেতাসকলে ডিজিপি সিঙক আক্ৰমণৰ লক্ষ্য কৰি লৈ অহা দেখা গৈছে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# ডিজিপিৰ বাপেকৰ বাপেক

গগৈয়ে বিজেপি চৰকাৰক আক্ৰমণৰ লক্ষ্য কৰি লয়। সমানে অসম আৰক্ষীৰ সঞ্চালক প্ৰধান জি.পি সিঙকো আক্ৰমণ কৰে অখিল গগৈয়ে। জি.পি সিঙক কোন বুলি প্ৰশ্ন কৰে অখিল গগৈয়ে। 'কা' আন্দোলনক লৈ বিভিন্ন মন্তব্য প্ৰদান আৰু গুৱাহাটীত ব্যাপক নিৰাপত্তা ব্যৱস্থা গঢ়ি তোলাত প্ৰতিক্ৰিয়া ব্যক্ত কৰি অখিল গগৈয়ে অসমীয়া জাতিক ৰঙা চকু দেখুৱাবলৈ জি.পি সিং কোন বুলি প্ৰশ্ন কৰে? জি.পি সিঙক প্ৰত্যাহ্বান জনাই আৰক্ষীৰ মুৰব্বীৰ দৰে কথা কওক বুলি সকীয়াই দি অখিল গগৈয়ে কয় 'ডিজিপিয়ে কৈছে তোমালোকে প্ৰতিবাদ কৰিব নোৱাৰিবা। প্ৰতিবাদ কৰিলে সমস্ত ব্যয় তোমালোকে বহন কৰিব লাগিব। ভাৰতৰ সংবিধানে আমাক একলগ হোৱাৰ অধিকাৰ প্ৰদান কৰিছে। প্ৰতিবাদ কৰাৰ অধিকাৰ প্ৰদান কৰিছে। গণতান্ত্ৰিভাৱে যদি প্ৰতিবাদ কৰো ডিজিপি নালাগে, ডিজিপিৰ বাপেকৰ বাপেক আহিলেও কোনোপধ্যে আমাক বাৰণ কৰিব নোৱাৰে। অসমীয়া জাতিক ৰঙা চকু দেখুৱাবলৈ জি.পি সিঙৰ কোনো অধিকাৰ নাই। আমি 'কা' নামানো। আমি প্ৰতিবাদ কৰিমা। ব্লেককেট, কমাণ্ডো নমালেও অন্য কিবা কৰি বাহাদুৰী কৰিলে নচলিব। গগৈয়ে কয় 'নৰেন্দ্ৰ মোদীয়ে কৈছে 'কা' বলবৎ হ'ব। কিয়নো তেওঁলোকক পশ্চিমবংগত ভোট লাগে। পশ্চিমবংগত ভোট লাগে বাবেই নৰেন্দ্ৰ মোদীয়ে দিল্লীত কৈ দিলে 'কা' বলবৎ হ'ব। দিল্লীত কৈ দিলে বাবেই হিমন্ত বিশ্ব শৰ্মাই আমাৰ ইয়াত ছাতিটো ল'লে। হিমন্ত বিশ্ব শৰ্মাৰ দৰে সুবিধাবাদী নেতাৰ আজিলৈ জন্ম হোৱা নাই।' আনহাতে, অসমৰ মুখ্যমন্ত্ৰীক জালিয়া মুখ্যমন্ত্ৰী আখ্যা দিয়ে অখিল গগৈয়ে। অখিল গগৈয়ে মুখ্যমন্ত্ৰীক তীব্ৰ আক্ৰমণ কৰি কয় যে আমাৰ মুখ্যমন্ত্ৰী জন জালিয়া। দুই নম্বৰী, সুবিধাবাদী। পৃথিৱীত যিটো সময়ত যিফালে চান্স পায় সিফালেই গুছি যাব এইজন মুখ্যমন্ত্ৰীয়ে। মোৰ মুখখন খুলিলে আপোনালোকে নিউজ উলিয়াব নোৱাৰিবা। আনহাতে নগাঁও সমষ্টিত বিৰোধী জিকিব বুলি দাবী কৰি অখিল গগৈয়ে কয় মই ক'লো নগাঁৱত বিৰোধীয়ে জিকিমা। হিমন্তই যিমানে জালিয়াতি, দুই নম্বৰী নকৰক। টকাৰ ঢল বোৱাই দিলেও জয়ী হ'ব নোৱাৰে। হিমন্তই কৈ আছে যে এইবাৰ মুছলমানে বিজেপিক ভোট দিব। এইবাৰ প্ৰকৃত অসমীয়াই নগাঁৱত আমাক ভোট দিব। নগাঁও টাউনত যিমান বুদ্ধিজীৱি মানুহ আছে এজন এজনকৈ সুধি চাওক বিজেপিক ভোট দিব নেকি? দুই নম্বৰী, দগাবাজ পাৰ্টীটো, ফেচিষ্ট, সাম্প্ৰদায়িক পাৰ্টীক কোনোবাই ভোট দিব নেকি বুলিও কয় অখিল গগৈয়ে। মন্ত্ৰী পীযুষ হাজৰিকাই বিৰোধীৰ প্ৰাৰ্থীক লৈ সঘনাই মন্তব্য দি অহাত ক্ষোভ ব্যক্ত পীযুষ হাদৰিকা কোন বুলি প্ৰশ্ন কৰে অখিল গগৈয়ে। অখলে কয় 'তেওঁ কি কাৰণত ইমান অহংকাৰ, বাহাদুৰী মৰা কথা কয়। অহংকাৰ কৰি লাভ নাই। বদী লেংগুৱেজ, অংগী-ভংগী কি চাবা। নতুন ধনীৰ মানুহৰ অহংকাৰ টকা-পইছাক লৈ। বিৰোধী পক্ষৰ নেতা পতা হৈছে নেকি। আমাৰ ভিতৰত কি চলি আছে জানে পীযুষ হাজৰিকাই। ইপিনে কাজিৰঙা লোকসভা সমষ্টিৰ বিজেপি প্ৰাৰ্থী কামাখ্যা প্ৰসাদ তাছাক বিজেপিৰ ফুটবল আখ্যা দি যোৰহাট লোকসভা সমষ্টিৰ প্ৰাৰ্থী গৌৰৱ গগৈ হ'ব বুলি ইংগিত দিয়ে অখিল গগৈয়ে। যোৰহাটত গৌৰৱ গগৈ, নগাঁৱত প্ৰদ্যুৎ বৰদলৈ হোৱাটো নিশ্চিত বুলিয়েই ইংগিত দিয়ে। বিজেপি নেতাক প্ৰাৰ্থিত্ব দিয়াৰ বিপৰীতে আগৰ কংগ্ৰেছী সুৰেশ বৰাক বিজেপিয়ে প্ৰাৰ্থিত্ব দিয়াত বিজেপিক সমালোচনা কৰে অখিল গগৈয়ে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# পৱন খেৰাক লগত লৈ ষ্টেট

সিঙৰ উপস্থিতিত প্ৰদেশ কংগ্ৰেছে ষ্টেট বেংক অৱ ইণ্ডিয়াৰ বিৰুদ্ধে বিভিন্ন শ্ল'গান প্ৰদান কৰি ধৰ্ণা প্ৰদান কৰে। হাতে হাতে প্লেকাৰ্ড লৈ শ্ল'গান দি পৰিৱেশ উত্তাল কৰি কংগ্ৰেছ নেতা-কৰ্মীয়ে। বিজেপি দলে ভাৰতীয় ষ্টেট বেংকক ৰাজনৈতিক অস্ত্ৰ হিচাপে ব্যৱহাৰ কৰা ষড়যন্ত্ৰৰ বিৰুদ্ধে কংগ্ৰেছে প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰে। বেংক কৰ্তৃপক্ষই নৰেন্দ্ৰ মোদী চৰকাৰক বচাব খোজা বুলি অভিযোগ উত্থাপন কৰে। উচ্চতম ন্যায়ালয়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী চৰকাৰৰ নিৰ্বাচনী বণ্ড আঁচনি বাতিল কৰি তিনি সপ্তাহৰ পাছত দাতা আৰু লেনদেনৰ বিৱৰণ ৰাজহুৱা কৰাৰ নিৰ্দেশ দিছিল। বণ্ড চম্ভালিবলৈ একমাত্ৰ কৰ্তৃত্বপ্ৰাপ্ত সংস্থা হৈছে ষ্টেট বেংক অৱ ইণ্ডিয়া। ষ্টেট বেংক অৱ ইণ্ডিয়াক উচ্চতম ন্যায়ালয়ে ১৫ ফেব্ৰুৱাৰীৰ ভিতৰত ৰাজনৈতিক দলক বৰঙণিৰ তথ্য প্ৰকাশ কৰিবলৈ নিৰ্দেশ দিছিল। কিন্তু বেংক কৰ্তৃপক্ষই ৩০ জুনলৈ সময় বিচাৰি আবেদন দাখিল কৰিছে আদালতত। ষ্টেট বেংক অৱ ইণ্ডিয়াই আদালতত এই আৰ্জি দিয়াৰ পাছতে জাঙুৰ খাই উঠিছে বিৰোধী ৰাজনৈতিক দল। বিজেপিক ৰক্ষা কৰিব খোজাৰ অভিযোগ উঠিছে। শীঘ্ৰে বণ্ডৰ তথ্য প্ৰকাশ কৰিবলৈ দাবী জনাইছে বিৰোধী দলসমূহে। দলীয় কৰ্মী, ৰাজনৈতিক পৰ্যবেক্ষক আৰু বিৰোধী দলসমূহে ষ্টেট বেংক অৱ ইণ্ডিয়াক আক্ৰমণ কৰিবলৈ আৰম্ভ কৰি বিজেপি দলৰ হৈ কাম কৰাৰ অভিযোগ উত্থাপন কৰে। তাৰ মাজতে আজি কংগ্ৰেছৰ ৰাষ্ট্ৰীয় নেতা পৱন খেৰা আৰু মহিমা সিঙৰ উপস্থিতিত গুৱাহাটীৰ দিছপুৰত প্ৰদেশ কংগ্ৰেছে প্ৰতিবাদ জনায়। ইপিনে নিৰ্বাচনী বণ্ড গোচৰৰ চাৰিজন আবেদনকাৰীৰ ভিতৰত এছোচিয়েচন ফৰ ডেমক্ৰেটিক ৰিফৰ্মছে (এডিআৰ) এছবিআইৰ সময় বৃদ্ধিৰ আবেদনক প্ৰত্যাহ্বান জনাব। নিখিল ভাৰত কংগ্ৰেছৰ মিডিয়া বিভাগৰ অধ্যক্ষ পৱন খেৰাই কয় যে এছবিআইক ৩০ জুনলৈকে তথ্য প্ৰকাশ নকৰিবলৈ বিজেপিয়ে হেঁচা প্ৰয়োগ কৰিছে। সময় বিচৰাৰ আন উদ্দেশ্য নাই। মাত্ৰ এটা ক্লিকতে সকলো তথ্য প্ৰকাশিত হয়। গুৱাহাটীৰ প্ৰতিবাদী কাৰ্যসূচীত প্ৰাক্তন মন্ত্ৰী প্ৰণতি ফুকন, প্ৰদেশ কংগ্ৰেছৰ সাধাৰণ সম্পাদক বিপুল গগৈ, প্ৰশাসনিক সাধাৰণ সম্পাদক ৰামান্না বৰুৱা, অসম প্ৰদেশ মহিলা কংগ্ৰেছৰ সভানেত্ৰী মীৰা বৰঠাকুৰ, মিডিয়া বিভাগৰ উপাধ্যক্ষ বেদব্ৰত বৰাকে ধৰি কেবাগৰাকী নেতা-কৰ্মী উপস্থিত থাকে।

# গুৱাহাটীত জালত মুন্না ভাই এমবিবিএছ

**ই সংবাদ, ৬ মাৰ্চঃ** কমেও ৪০ বছৰ ধৰি চিকিৎসক বুলি দাবী কৰি ৰোগীক চিকিৎসা কৰি অহা এজন প্ৰৱঞ্চকক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হৈছে গুৱাহাটী আৰক্ষীয়ে। গুৱাহাটী আৰক্ষীয়ে লাল গণেশ এলেকাত ভুৱা চিকিৎসকজনক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। এমবিবিএছ পঢ়াৰ নথি-পত্ৰ দেখুৱাব নোৱাৰাত প্ৰেমানন্দ ৰায় নামৰ লোকজনক গ্ৰেপ্তাৰ কৰিছে আৰক্ষীয়ে। ভুৱা চিকিৎসক প্ৰেমানন্দ ৰায়ে প্ৰায় ৪০ বছৰ ধৰি ৰোগীক চিকিৎসা কৰি আহিছে। লাল গণেশৰ নিউ মহামায়া মেডিকোছত ৰোগীক চিকিৎসা কৰি আহিছিল বুলি জানিব পৰা যায়। গ্ৰেপ্তাৰৰ পাছতে ৰায়ৰ ফাৰ্মাচী বন্ধ কৰি দিয়ে আৰক্ষীয়ে। পশ্চিমবংগৰ সুৰেন্দ্ৰ নাৰায়ণ নামৰ প্ৰকৃত চিকিৎসকৰ পঞ্জীয়ন নম্বৰ ব্যৱহাৰ কৰাৰ অভিযোগ উত্থাপন হৈছে। ১৯৮৩ চনৰ পৰা ভুৱা চিকিৎসা ডিগ্ৰী আৰু পঞ্জীয়ন নম্বৰৰ সৈতে চিকিৎসা কৰাৰ লগতে ভুৱা মৃত্যুৰ প্ৰমাণপত্ৰ দিয়াৰো অভিযোগ উঠিছে। অভিজিত নেওগ নামৰ এজন চিকিৎসকে দাখিল কৰা অভিযোগৰ ভিত্তিত ওদাল বাজ্ৰাৰ পৰা মঙলবাৰে নিশা ভুৱা চিকিৎসকজনক গ্ৰেপ্তাৰ কৰা হয়।

# অমৃতপালৰ সহযোগীক চিকিৎসালয়ত ভৰ্তি

**ই সংবাদ, ৬ মাৰ্চঃ** ডিব্ৰুগড়ৰ কেন্দ্ৰীয় কাৰাগাৰত বন্দী পঞ্জাৱৰ বিচ্ছিন্নতাবাদী সংগঠন ৱাৰিছ পাঞ্জাৱ দেৰ মুৰব্বী অমৃতপাল সিঙৰ দুই সহযোগীক ডিব্ৰুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয়ত ভৰ্তি কৰোৱা হৈছে। যাৰ বাবে ডিব্ৰুগড় চিকিৎসা মহাবিদ্যালয়ত সুৰক্ষা বৃদ্ধি কৰা হৈছে। অমৃতপাল সিঙৰ ঘনিষ্ঠ কুলৱন্ত সিং আৰু গুৰমিত সিঙক অসম চিকিৎসা মহাবিদ্যালয়ত ভৰ্তি কৰোৱা হয়। মৃগী ৰোগত আক্ৰান্ত হোৱাৰ পিছত মঙলবাৰে নিশা প্ৰায় ১০ বজাত কুলৱন্ত সিঙক ভৰ্তি কৰোৱা হয়। চিকিৎসাৰ অন্তত স্বাস্থ্যৰ অৱস্থা এতিয়া উন্নত হোৱা বুলি জানিব পৰা গৈছে। আনহাতে, ৱাৰিছ পঞ্জাৱ দেৰ মুৰব্বী অমৃতপাল সিঙৰ আন এজন সহযোগী গুৰমিত সিঙকো স্বাস্থ্যজনিত সমস্যাৰ বাবে অসম চিকিৎসা মহাবিদ্যালয়ত ভৰ্তি কৰোৱা বুলি জানিব পৰা গৈছে।

# চিলিণ্ডাৰ বিস্ফোৰণত একে পৰিয়ালৰ শিশুসহ ৫জনৰ মৃত্যু

## উত্তৰ প্ৰদেশত সংঘটিত মৰ্মান্তিক ঘটনা

**ই সংবাদ, ৬ মাৰ্চঃ** প্ৰথমে শ্বৰ্ট চাৰ্কিট, তাৰ পিছতে চিলিণ্ডাৰ বিস্ফোৰণত প্ৰাণ হেৰুৱালে একেটা পৰিয়ালৰ শিশুসহ ৫ সদস্যই। মঙলবাৰে নিশা এই মৰ্মান্তিক ঘটনা সংঘটিত হয় উত্তৰ প্ৰদেশৰ ৰাজধানী লক্ষ্ণৌৰ কাকৰী চহৰত। শ্বৰ্ট চাৰ্কিটৰ ফলত সংঘটিত অগ্নিকাণ্ডৰ পিছতে দুটাকৈ চিলিণ্ডাৰ বিস্ফোৰণ ঘটাত প্ৰাণ হেৰুৱায় তিনিটি শিশুসহ পাঁচোজনে। আৰক্ষীয়ে সদৰী কৰা মতে, কাকৰী চহৰৰ হাটা হজৰত চাহেবৰ বাসিন্দা মুছিৰ আলী (৫০)ৰ অট্টালিকাটোৰ দ্বিতীয় মহলাত মঙলবাৰে নিশা শ্বৰ্ট চাৰ্কিটৰ ফলত অগ্নিকাণ্ড সংঘটিত হয়। এই অগ্নিকাণ্ডৰ পিছতে পৰিয়ালৰ সদস্যসকলে ততাতৈয়াকৈ বাহিৰলৈ ওলাই আহিবলৈ চেষ্টা কৰে যদিও সেই সময়ত দুটাকৈ চিলিণ্ডাৰ বিস্ফোৰণ ঘটাত পৰিয়ালটোৰ ৯ সদস্য অগ্নিদগ্ধ হয়। ইফালে ঘটনাৰ পিছতে অগ্নিনিৰ্বাপক বাহিনীৰ গড়ী উপস্থিত হৈ জুই নিৰ্বাপণ কৰি আহত সকলক হাস্পতাললৈ লৈ যায় যদিও চিকিৎসকে তিনিটি শিশুসহ ৫ জনক মৃত ঘোষণা কৰে। নিহত সকল হৈছে মুছিৰ (৫০ বছৰ), তেওঁৰ পত্নী হুছনা বানো (৪৫), ভতিজী ৰাইয়া (৫) আৰু ভতিজী হিবা (২) আৰু হুমা (৩)। ইফালে বৰ্তমানো চিকিৎসাধীন হৈ আছে ইছা (১৭), লাকাব (২১), আমজাদ (৩৪) আৰু আনম (১৮)। উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্যনাথে এই দুৰ্ঘটনাত শোক প্ৰকাশ কৰি আহত সকলৰ আশু আৰোগ্য কামনা কৰিছে।




**হাঁহি এটি পিন্ধি লোৱাঃ গাজাৰ শৰনাৰ্থী শিবিৰত ওমলিছে কেইটিমান শিশুৱে**

# লুৰীণজ্যোতি গগৈ পৰজীৱী!

**ই সংবাদ, ৬ মাৰ্চঃ** কংগ্ৰেছ নেতৃত্বাধীন মিত্ৰজোঁটৰ পৰা তৃণমূল কংগ্ৰেছ আৰু আপ আতৰি অহাত কংগ্ৰেছ আৰু লুৰীণজ্যোতি গগৈক আক্ৰমণৰ লক্ষ্য কৰি লয় মন্ত্ৰী পীযুষ হাজৰিকাই। কংগ্ৰেছে সকলোকে ফাঁকি দিয়ে বুলি উল্লেখ কৰি হাজৰিকাই লুৰীণজ্যোতি গগৈয়ে কংগ্ৰেছৰ সহায়ত নিৰ্বাচন খেলিব লাগিব বুলি কটাক্ষ কৰে। লুৰীণজ্যোতি গগৈক পৰজীৱী আখ্যা দিয়ে মন্ত্ৰী হাজৰিকাই। মন্ত্ৰী পীযুষ হাজৰিকাই, কংগ্ৰেছে সকলোকে ফাঁকি দিয়ে।লুৰীণজ্যোতি গগৈ পৰজীৱী। এতিয়া লুৰীণজ্যোতি গগৈৰ কংগ্ৰেছৰ বোকোছাত নুঠিলে নিস্তাৰ নাই। আমি ১১টাত জয়ী হম। লুৰীণজ্যোতিৰ সংগঠন নাই, শক্তি নাই। কংগ্ৰেছৰ সংগঠন লৈ কৰবাত জিকিব পাৰি নেকি চেষ্টা চলাই আছে। এতিয়া তেওঁলোক জিকিব নোৱাৰে। ডিব্ৰুগড়ত জিকাটো অসম্ভৱ কথা। ধুবুৰীত জিকিব পাৰে। নগাঁৱতো জিকাৰ পৰিবেশ আছে। বাকী ১১টা এশ শতাংশই জিকিম। এজেপিক বাদ দি কংগ্ৰেছৰ সৈতে এতিয়া আৰু কোনো নাই বুলিও কয় মন্ত্ৰী হাজৰিকাই।

## আজিও সন্ধানহীন ২৮ জন, হিংসাত এতিয়ালৈ আহত ১৫৫৫

# সংঘৰ্ষত নিহত লোকৰ হিচাপ দিলে মণিপুৰৰ মুখ্যমন্ত্ৰীয়ে



**ই সংবাদ, ৬মাৰ্চঃ** মণিপুৰত বিগত বৰ্ষৰ ৩ মে'ৰ পৰা সংঘটিত হৈ থকা গোষ্ঠীগত সংঘৰ্ষত সন্ধানহীন হৈ আছে কমেও ২৮ জন লোক। বিগত ১০ মাহত উত্তৰ-পূবৰ ৰাজ্যখনত জ্বলি উঠা হিংসাৰ দাবানলত আহত হৈছে ১৫৫৫ জন লোক। ৰাজ্যিক বিধানসভাত এই তথ্য প্ৰদান কৰিলে মুখ্যমন্ত্ৰী এন বীৰেণ সিঙে। ৰাজ্যিক বিধানসভা অধিৱেশনৰ অন্তিম দিনা খাংবকৰ বিৰোধী কংগ্ৰেছৰ বিধায়ক সুৰজাকুমাৰ ওক্ৰামে সোধা এক প্ৰশ্নৰ উত্তৰ দি মুখ্যমন্ত্ৰী এন বীৰেণ সিঙ্গে কয় যে যোৱা বছৰৰ মে' মাহৰ পৰা নিৰুদ্দেশ হোৱা লোকৰ ৬৩টা গোচৰ ৰুজু কৰা হৈছে। ইয়াৰে ২৬ জন লোকক মৃত ঘোষণা কৰাৰ লগতে আন দুজনৰ নিৰুদ্দেশৰ তদন্ত চলি থকা বুলিও জানিবলৈ দিয়ে মুখ্যমন্ত্ৰীয়ে। তেওঁ লগতে কয় যে সন্ধানহীন সকলৰ ৯ জনক জীৱন্তে উদ্ধাৰ কৰা হৈছে। ইফালে বিগত ১০ মহীয়া এই সংঘাতত ১৪২৯ জন সাধাৰণ নাগৰিক, ৮৮ জন ৰাজ্যিক আৰক্ষী আৰু ২৮ জন কেন্দ্ৰীয় নিৰাপত্তা বাহিনীৰ জোৱানকে ধৰি মুঠ ১৫৫৫ জন লোক আঘাতপ্ৰাপ্ত হোৱা বুলিও মন্তব্য কৰে বীৰেণ সিঙে। মুখ্যমন্ত্ৰীয়ে বিধানসভাত তথ্য প্ৰদান কৰি কয় যে এই গোষ্ঠীগত হিংসাত ২০ গৰাকী মহিলা আৰু ৮ শিশুসহ ২২১ জন লোকৰ মৃত্যু ঘটিছে। সংঘাতৰ সময়ত ধ্বংসপ্ৰাপ্ত ঘৰৰ পুনৰ নিৰ্মাণৰ সন্দৰ্ভত সিঙে কয় যে ১৩৯টা পৰিয়ালক ঘৰ পুনৰ নিৰ্মাণৰ বাবে ৫০ শতাংশ আগধন দিয়া হৈছে, আনহাতে স্থায়ী গৃহ নিৰ্মাণ আঁচনিৰ অধীনত ৪৭২টা পৰিয়ালক নতুন ঘৰ অনুমোদন দিয়া হৈছে। ইয়াৰোপৰি ১১৪জন মৃতকৰ পৰিয়ালক ১০ লাখ টকাকৈ এককালীন সাহায্য প্ৰদানৰ কাম আৰম্ভ কৰা বুলিও মন্তব্য কৰে সিঙে। উল্লেখ্য যে, বিগত বৰ্ষৰ ৬ জুলাইত হিংসাত্মক পৰিস্থিতিৰ মাজতে সন্ধানহীন হৈছিল মেইটেই সম্প্ৰদায়ৰ দুই কিশোৰ-কিশোৰী হিজাম লিন্থোইংগামী (১৭ বছৰীয়া) আৰু ফিজাম হেমজিত (২০ বছৰীয়া)। পৰৱৰ্তী সময়ত ২৫ ছেপ্টেম্বৰত তেওঁলোকৰ মৃতদেহৰ ছবি প্ৰকাশ পাইছিল, তাৰ পিছত ৰাজ্যখনত হিংসাত্মক প্ৰতিবাদ সংঘটিত হৈছিল। ৰাজ্য চৰকাৰে এই দুই কিশোৰৰ মৃত্যুৰ তদন্ত অৰ্পণ কৰিছিল চিবিআইক। বিধানসভাত ৱাংখেম বিধানসভা সমষ্টিৰ বিৰোধী কংগ্ৰেছ বিধায়ক কে মেঘচন্দ্ৰই কিশোৰ-কিশোৰী দুগৰাকীৰ মৃত্যুৰ তদন্তৰ অগ্ৰগতিৰ সন্দৰ্ভত সোধা প্ৰশ্নৰ উত্তৰত মুখ্যমন্ত্ৰী এন বীৰেণ সিঙে কয় যে চিবিআইয়ে পাঁচজন অভিযুক্তৰ বিৰুদ্ধে অভিযোগনামা দাখিল কৰাৰ বিষয়ে অৱগত কৰিছে। আনহাতে, মণিপুৰ চৰকাৰে চৰকাৰী কৰ্মচাৰীক লৈ বিশেষ সিদ্ধান্ত লৈছে৷ কাম নকৰিলে চৰকাৰী কৰ্মচাৰীৰ দৰমহা বন্ধ ৰখাৰ সিদ্ধান্ত লৈছে৷ কৰ্মচাৰীসকলে 'কাম কৰিলে দৰমহা, কাম নকৰিলে দৰমহা বন্ধ' ৰখাৰ নিয়ম প্ৰৱৰ্তন কৰাৰ প্ৰস্তাৱ দিছে৷ ৰাজ্য চৰকাৰে বিজ্ঞপ্তিত কয় যে যিসকল কৰ্মচাৰীয়ে বিভিন্ন কাৰণত অনুমোদিত ছুটি অবিহনে কাৰ্যালয়ত উপস্থিত হোৱা নাই তেওঁলোকৰ দৰমহা বন্ধ কৰাৰ নিৰ্দেশ দিয়া হৈছে৷ উল্লেখ্য যে, হিংসাৰ পাছৰে পৰা বহু চৰকাৰী কৰ্মচাৰীয়ে কামত অংশ নোলোৱাকৈ দৰমহা লৈ অহাৰ অভিযোগ উত্থাপন হৈছে৷

## সংবাদমেলত চৰকাৰ, অসম আৰক্ষীলৈ ৰাইজৰ দলৰ প্ৰশ্ন

# ‘মন্ত্ৰী-বিধায়কৰ বাবে নাই নেকি যান-বাহন আৰক্ষীৰ আইন’

**ই-সংবাদ, ৬ মাৰ্চঃ** গুৱাহাটীৰ খানাপাৰাত মন্ত্ৰীৰ কনভয়ৰ খুন্দাত ৰূপম বৰা নামৰ যুৱক নিহত হোৱাৰ খবৰে ব্যাপক চৰ্চা লাভ কৰাৰ পাছতো অসম আৰক্ষীয়ে এই পৰ্যন্ত প্ৰতিক্ৰিয়া ব্যক্ত কৰা নাই৷ চৰকাৰী পক্ষয়ো এই পৰ্যন্ত প্ৰতিক্ৰিয়া দিয়া নাই৷ তাৰ মাজতে আজি ৰাইজৰ দলে সংবাদমেল পাতি প্ৰতিক্ৰিয়া ব্যক্ত কৰে৷ চৰকাৰী পক্ষৰহেঁচাত হিট-এণ্ড-ৰাণৰ ঘটনাক গাপ দিয়াৰ অভিযোগ আনে ৰাইজৰ দলে। দুৰ্ঘটনাত মন্ত্ৰী পীযুষ হাজৰিকাৰ কনভয় জড়িত বুলি দাবী কৰি দলটোৱে লখিমপুৰ, গুৱাহাটীত কনভয় দুৰ্ঘটনা৷ বিজেপি বিধায়ক ভাস্কৰ শৰ্মাৰ কনভয়ৰ দুৰ্ঘটনা। একেগৰাকী বিধায়কৰ গাড়ীৰ খুন্দাত ৭ জনকৈ যুৱক আহত হয়। মন্ত্ৰী অতুল বৰা আৰু কেইবাজনো নেতাৰ কনভয়ে এনে ধৰণৰকেইবাটাও ঘটনা সংঘটিত কৰা বুলি প্ৰকাশ কৰি কি ব্যৱস্থা লোৱা হৈছে বুলি প্ৰশ্ন কৰে দলটোৱে৷ ৰাইজৰ দলৰ সাধাৰণ সম্পাদক চিন্ময় বৰাই মন্ত্ৰী-বিধায়কৰ বাবে যান-বাহন আৰক্ষীৰ আইন নাই নেকি বুলি প্ৰশ্ন কৰি ভিআইপি-ভিভিআইপিৰ সংস্কৃতি কিয় বুলিও প্ৰশ্ন কৰে। হিট-এণ্ড-ৰাণ আইনখন মন্ত্ৰী-বিধায়কৰ ক্ষেত্ৰত প্ৰযোজ্য হ'ব লাগে বুলি দাবী কৰি আইনে যদি কাম নকৰে

# ৭০০০ কৰ্মচাৰীক মোদীৰ শ্ৰীনগৰৰ ৰেলীত ভাগ ল’বলৈ নিৰ্দেশ

**শ্ৰীনগৰ, ৬ মাৰ্চঃ** চৰকাৰী প্ৰতিষ্ঠান আৰু বিদ্যালয়ৰ কৰ্মচাৰীৰে কাশ্মীৰত নিৰ্বাচনী ৰণডংকা বজাবলৈ সাজু হৈছে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী। সুদীৰ্ঘ ৯ বছৰ পিছত বৃহস্পতিবাৰে প্ৰথমবাৰৰ বাবে শ্ৰীনগৰত এক জনসভা সম্বোধন কৰিব প্ৰধানমন্ত্ৰী মোদীয়ে। শ্ৰীনগৰৰ বক্সি ষ্টেডিয়ামত অনুষ্ঠিত হ'বলগীয়া এই জনসভাত অংশগ্ৰহণ কৰিবলৈ জম্মু-কাশ্মীৰৰ শিক্ষা, ক্ৰীড়া, কৃষি, সমাজ কল্যাণ, গ্ৰামোন্নয়ন আদি বিভাগৰ প্ৰায় ৭ হাজাৰ কৰ্মচাৰীক কঠোৰ নিৰ্দেশ প্ৰদান কৰিছে জম্মু-কাশ্মীৰ প্ৰশাসনে। উল্লেখ্য যে, অনুচ্ছেদ ৩৭০ বাতিলৰ পিছত প্ৰথমবাৰৰ বাবে জম্মু-কাশ্মীৰত অনুষ্ঠিত হ’ব লোকসভা নিৰ্বাচন। বিজেপিয়ে এতিয়ালৈকে কেন্দ্ৰীয় শাসিত প্ৰদেশখনৰ বাবে প্ৰাৰ্থী ঘোষণা কৰা নাই যদিও বৃহস্পতিবাৰে জনসভা সম্বোধন কৰি নিৰ্বাচনী প্ৰচাৰ আৰম্ভ কৰিব প্ৰধানমন্ত্ৰী মোদীয়ে। ইফালে কেন্দ্ৰৰ দ্বাৰা পৰিচালিত জম্মু-কাশ্মীৰ প্ৰশাসনে শ্ৰীনগৰৰ ব্যক্তিগত বিদ্যালয়ৰ কৰ্মচাৰীসকলকো মোদীৰ জনসভাত উপস্থিত থাকিবলৈ নিৰ্দেশ দিছে। খবৰ অনুসৰি নিৰাপত্তা সুনিশ্চিত কৰিবলৈ মোদীৰ সমাৰেশত অংশগ্ৰহণ কৰিবলৈ নিৰ্দেশ দিয়া কৰ্মচাৰীসকলৰ



বিচ্ছিন্নতাবাদী সংগঠন বা সন্ত্ৰাসবাদী সংগঠনৰ সৈতে কোনো সম্পৰ্ক আছে নে নাই সেই বিষয়ে জানিবলৈও নিৰাপত্তা সংস্থাসমূহক নিৰ্দেশ দিয়া হৈছে। সমাৰেশত অংশল’বলগীয়া সকলৰ ভোজনৰ তদাৰকৰ বাবে শ্ৰীনগৰত খাদ্য সুৰক্ষা বিভাগক বক্সি ষ্টেডিয়ামত ৬২ খন বেকাৰী দোকানৰ প্ৰতিনিধিৰ উপস্থিতি নিশ্চিত কৰিবলৈ নিৰ্দেশ দিয়া হৈছে। আনহাতে স্থানীয় এক সূত্ৰই জনোৱা মতে, শ্ৰীনগৰৰ ১০০ৰো অধিক হোটেল, লজ আৰু গেষ্ট হাউচ বিজেপিয়ে ৰেলীৰ এদিন পূৰ্বে দলীয় কৰ্মী আৰু আন আন ঠাইৰ পৰা অহা সমৰ্থকসকলৰ বাবে ‘এডভান্স বুকিং’ কৰিছে। বিজেপিৰ এক সূত্ৰই জনোৱা মতে, বিভিন্ন জিলাৰ পৰা দলীয় কৰ্মকৰ্তা আৰু সাধাৰণ নাগৰিকক কঢ়িয়াই অনাৰ বাবে এহাজাৰৰো অধিক বাহন ভাড়া কৰা হৈছে। উল্লেক্ষণীয় যে, জম্মু-কাশ্মীৰত মোদীৰ এই জনসভাৰ বাবে অভিনন্দন জ্ঞাপন কৰিছে কেন্দ্ৰীয় গৃহ মন্ত্ৰণালয়ে। ৩৭০ অনুচ্ছেদ প্ৰত্যাহাৰৰ পিছত জম্মু-কাশ্মীৰত শান্তি আৰু সমৃদ্ধি ঘূৰি আহিছে বুলি দাবী কৰি কেন্দ্ৰীয় গৃহ মন্ত্ৰণালয়ে কয় যে এতিয়া জম্মু-কাশ্মীৰত শিলাক্ৰমণৰ ঘটনা এশ শতাংশ হ্ৰাস পাইছে। একেদৰে সাধাৰণ নাগৰিকৰমৃত্যুৰ হাৰ ৮১ শতাংশ, সন্ত্ৰাসবাদী ঘটনা ৬৯ শতাংশ আৰু নিৰাপত্তাৰক্ষীৰ মৃত্যুৰ হাৰ ৪৭ শতাংশ হ্ৰাস পোৱা বুলিও দাবী কৰে গৃহ মন্ত্ৰণালয়ে। শ্ৰীনগৰত মোদীৰ জনসভালৈ এনেদৰে চৰকাৰী-বেচৰকাৰী কৰ্মচাৰীক উপস্থিত থাকিবলৈ নিৰ্দেশ দি বিজেপিয়ে প্ৰদেশখনত ৩৭০ অনুচ্ছেদ প্ৰত্যাহাৰৰ পিছৰ সফলতা প্ৰমাণ কৰিব বিচৰা বুলিও একাংশই মন্তব্য কৰিছে। জম্মু-কাশ্মীৰৰ বিজেপি সভাপতি ৰবিন্দৰ ৰাইনাই বক্সি ষ্টেডিয়ামত অনুষ্ঠিত হ’বলগীয়া প্ৰধানমন্ত্ৰী মোদীৰ সমাৰেশত ২ লাখৰো অধিক লোক থাকিব বুলি দাবী কৰে। কিন্তু ৩০ হাজাৰ লোক বহিব পৰা ষ্টেডিয়ামখনত দুই লাখ লোক কিদৰে উপস্থিত হ’ব সন্দেহ ব্যক্ত কৰিছে বিৰোধীয়ে।

## ক্ষমতাৰ দৌৰত বিলীন হোৱাৰ দিশে আন এটা আঞ্চলিক দল

# বিভেদ এৰি বিজেপিৰ সৈতে হাত মিলাব ত্ৰিপুৰাৰ তিপ্ৰা ম'থাই

**ই-সংবাদ, ৬ মাৰ্চঃ** লোকসভা নিৰ্বাচনৰ পূৰ্বে ক্ষমতাৰ দৌৰত বিলীন হোৱাৰ দিশে আন এটা আঞ্চলিক দল। এইবাৰ ত্ৰিপুৰাত শাসকীয় বিজেপিৰ সৈতে চামিল হোৱাৰ কথা ঘোষণা কৰিলে ৰাজ্যখনৰ মূল বিৰোধী আঞ্চলিক দল ত্ৰিপা মোথাই। দলটোৰ বিজেপি নেতৃত্বাধীন চৰকাৰত যোগদান কৰাৰ কথা প্ৰকাশ কৰিছে বিজেপিৰ এগৰাকী জ্যেষ্ঠ নেতাই। উল্লেখ্য যে, ৬০ জনীয়া ত্ৰিপুৰা বিধানসভাত ত্ৰিপা মোথাৰ বিধায়কৰ সংখ্যা হৈছে ১৩ জন। আঞ্চলিক দলটোৱে বিজেপিৰ সৈতে চামিল হোৱাৰ পিছত দুটা মন্ত্ৰীপদ লাভ কৰাৰ সম্ভৱনা আছে। ৰাজ্যিক বিজেপিৰ সভাপতি ৰাজীৱ ভট্টাচাৰ্যই ত্ৰিপা মোথাৰ বিজেপি নেতৃত্বাধীন চৰকাৰত যোগদানৰ খবৰত মোহৰ লগাই কয়, 'সংসদীয় নিৰ্বাচনৰ পূৰ্বে বিজেপি-আইপিএফটি মিত্ৰজোঁটৰ চৰকাৰত যোগদান কৰিবলৈ সাজু হৈছে টিপ্ৰা মোথাই। মন্ত্ৰীসকলৰ শপত গ্ৰহণৰ তাৰিখ এতিয়াও চূড়ান্ত হোৱা নাই।' ইফালে ত্ৰিপা মোথাৰ মুৰব্বী প্ৰদ্যুৎ দেৱবাৰ্মাই কয় যে তেওঁৰ দলে বিজেপি নেতৃত্বাধীন চৰকাৰৰ সৈতে চামিল হ'লে 'বৃহত্তৰ টিপ্ৰলেণ্ড'ৰ দাবী এৰি নিদিয়ে। উল্লেখ্য যে, কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ উপস্থিতিত টিপ্ৰা মোথা, কেন্দ্ৰীয় চৰকাৰ আৰু ত্ৰিপুৰা চৰকাৰৰ মাজত ৰাজ্যৰ খিলঞ্জীয়াৰ সমস্যাৰ স্থায়ী সমাধান আনিবলৈ ত্ৰিপাক্ষিক চুক্তি স্বাক্ষৰিত হয়। দেৱবাৰ্মাই কয়, 'বৃহত্তৰ টিপ্ৰলেণ্ডৰ দাবীত আমি হাৰ নামানো। বিজেপিয়ে অযোধ্যাত ৰাম মন্দিৰৰ দাবী কেতিয়াও পৰিত্যাগ কৰা নাছিল, আৰু অৱশেষত, কেইবাবছৰৰ পিছত সেয়া লাভো কৰে। টিপ্ৰা মোথাইও নিজৰ দাবী এৰি নিদিয়ে।' আগন্তুক লোকসভা নিৰ্বাচনত টিপ্ৰা মোথাই কেনেদৰে প্ৰতিদ্বন্দ্বিতা কৰিব সেই সন্দৰ্ভত সংবাদ মাধ্যমে তেওঁক সোধাত দেৱবাৰ্মাই কয় যে তেওঁ দলৰ সিদ্ধান্ত উপযুক্ত সময়ত ঘোষণা কৰিব। মন কৰিবলগীয়া যে, শেহতীয়াকৈ ত্ৰিপুৰাত কংগ্ৰেছ নেতাসকলক সাক্ষাৎ কৰিছিল দেৱবাৰ্মাই। এই সন্দৰ্ভত তেওঁ কয়, 'সুদীপ ৰায় বৰ্মন আৰু আশীষ কুমাৰ সাহা মোৰ বন্ধু। কংগ্ৰেছৰ বিধায়ক বিৰাজিৎ সিনহাৰ সৈতেও সুসম্পৰ্ক আছে। অমিত শ্বাহ জী আৰু আদিত্য থাকৰেৰ সৈতে মোৰ ব্যক্তিগত সম্পৰ্ক আছে।'

# মৈৰাবাৰীত বিজেপিৰ নগাঁৱৰ প্ৰাৰ্থী সুৰেশ বৰাক বিপুল আদৰণি

**ই-সংবাদ, ৬ মাৰ্চ, মৈৰাবাৰীঃ** লোকসভা নিৰ্বাচনক লৈ নগাঁও সংসদীয় সমষ্টিত ব্যস্ত হৈ পৰিছে শাসক-বিৰোধী। বিজেপিয়ে ইতিমধ্যে টিকট ঘোষণা কৰি নগাঁও সমষ্টি নিজৰ দখললৈ নিবলৈ মাৰাথন অভিযান আৰম্ভ কৰিছে। বিজেপিয়ে ইতিমধ্যে প্ৰাৰ্থী ঘোষণা কৰিছে। প্ৰাক্তন কংগ্ৰেছী সুৰেশ বৰাক নগাঁও সমষ্টিৰ টিকট প্ৰদান কৰি সমষ্টিৰ সংখ্যালঘু ভোট লাভ কৰাৰো যো-জো চলাইছে। বিজেপিৰ প্ৰাৰ্থী সুৰেশ বৰাই আজি মৈৰাবাৰীত উপস্থিত হৈ কংগ্ৰেছ আৰু ইউডিএফ দলৰ বিৰুদ্ধে কেইবাটাও মন্তব্য আগবঢ়াই। নতুনকৈ নগাঁও সংসদীয় সমষ্টিত অন্তৰ্ভুক্ত কৰা লাহৰিঘাট আৰু মৈৰাবাৰী অঞ্চলৰ ৰাইজে এইবাৰ বিৰোধী দলক টাটা বাই বাই দিব বুলি দাবী কৰে। বিয়লি ৪ বজাত এক বিশাল সমদল যোগে মৈৰাবাৰী বজাৰৰ মাজ-মজিয়াৰ মৈৰাবাৰী আক্সাছ আলি মাৰ্কেটত পাঁচ শতাধিক ৰাইজৰ উপস্থিতিত অনুষ্ঠিত সভাত এইবাৰ ভোট পদুম ফুলত দিবলৈ আহ্বান জনাই বৰাই কয় 'ভোট যুদ্ধত কংগ্ৰেছ দল কোনো ফেক্টৰেই নহয়, আমাৰ যুঁজ ইউডিএফ দলৰ প্ৰাৰ্থীৰ লগতহে হ'ব।'



## চৰকাৰী বিষয়াৰ ভূমিকাক লৈ সন্দেহৰ আঙুলি

# কামৰূপৰ বংশৰৰ ৰাৱণবৈ পাহাৰত অবৈধ খনন, মৌন বন বিভাগ



**ই-সংবাদ, শুৱালকুছি, ৬ মাৰ্চঃ** ৰাজ্য চৰকাৰে পৰিবেশ সংৰক্ষণৰ স্বাৰ্থত লাখ লাখ গছপুলি ৰোপণ কৰিছে৷ পৰিবেশ সংৰক্ষণ তথা সেউজীকৰণৰ ব্যৱস্থা গ্ৰহণ কৰিছে৷ তেনে সময়তে কামৰূপৰ হাজো বনাঞ্চিলক কাৰ্যালয়ৰ অন্তৰ্গত বংশৰ ৰাৱণবৈত গছ-গছনিৰে ভৰি থকা পাহাৰ ধ্বংস কৰিছে একাংশ লোকে৷ এগৰাকী চৰকাৰী চাকৰিয়ালৰ নেতৃত্বত দিনে-নিশাই বুলডজাৰ, ট্ৰেক্টৰৰ সহায়ত অবৈধ খনন কৰি থকা পৰিলক্ষিত হৈছে৷ স্থানীয় প্ৰশাসন তথা হাজো বন বিভাগ মৌন হৈ থকা কাৰ্যত অঞ্চলটোত ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে৷ উল্লেখ্য যে, কামৰূপ জিলা প্ৰশাসনৰ নীৰৱতাৰ সুযোগ গ্ৰহণ কৰি এচাম দুষ্ট চক্ৰই কামৰূপৰ দামপুৰ, বংশৰ, বৰবাৰীৰ পাহাৰ, বনজ সম্পদ ধ্বংস কৰি আহিছে৷ ৰাজনৈতিক ছত্ৰছায়াত একাংশ নেতা-পালিনেতাই এফালৰ পৰা সেউজীয়া পাহাৰ ধ্বংস কৰাৰ পাছতো হাজো বন বিভাগ তথা জিলা প্ৰশাসনে কোনো ব্যৱস্থা নোলোৱাৰ অভিযোগ উঠিছে৷ ফলত দিনে-নিশাই বুৰঞ্জী প্ৰসিদ্ধ পাহাৰসমূহ খনন কৰি ভৈয়াম সদৃশ কৰিছে তুলিছে৷ খনন কাৰ্যত অসাধু চক্ৰৰ সৈতে চৰকাৰী চাকৰিয়ালো জড়িত থকাৰ অভিযোগ আনিছে আছুকে ধৰি স্থানীয় দল-সংগঠনে৷ বংশৰ ৰাৱণবৈ পাহাৰত দিনে-নিশাই অবৈধ খনন চলোৱাৰ ফলত পাহাৰৰ দেৱ দামোদৰ মন্দিৰৰ প্ৰতিও সংকট নামি আহিছে৷ চৰকাৰে সততে পৰিবেশ সংৰক্ষণৰ কথা কয় সেই সময়তে কামৰূপৰ বংশৰ ৰাৱণবৈ অঞ্চলত সেউজীয়া পাহাৰ ধ্বংস কৰাত সচেতন ৰাইজক উদ্বিগ্ন কৰিছে৷ শীঘ্ৰে মহাপুৰুষ দেৱ দামোদৰ দেৱৰ মন্দিৰ সংলগ্ন পাহাৰ সংৰক্ষণ কৰিবলৈ চৰকাৰলৈ আহ্বান জনাইছে সচেতন ৰাইজে৷

## লাহৰীঘাটত ড্ৰাগছসহ সৰবৰাহকাৰীক গ্ৰেপ্তাৰ

**ই-সংবাদ, লাহৰীঘাট, ০৬ মাৰ্চঃ** মৰিগাঁও জিলাৰ লাহৰীঘাটত আৰক্ষীয়ে ড্ৰাগছৰ বিৰোধী অভিযান অব্যাহত ৰাখিছে। আজি লাহৰীঘাট আৰক্ষীয়ে অভিযান চলাই পুনৰ এজন ড্ৰাগছ সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হৈছে। লাহৰীঘাট বজাৰৰ সমীপত অভিযান চলাই ড্ৰাগছ সৰবৰাহকাৰী ইনামুল হুছেইনক (২২) গ্ৰেপ্তাৰ হয়৷ । ইনামুল হুছেইনৰ পৰা ১২ টা ড্ৰাগছ ভৰ্তি কণ্টেইনাৰৰ লগতে এটা মোবাইল ফোন জব্দ কৰে আৰক্ষীয়ে। পূৰ্বেও ড্ৰাগছৰ গোচৰত ৰঙাঘৰৰ আলহী হৈছিল ইনামুল হুছেইন।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# প্ৰকৃত অসমীয়াই মোদীৰ

লাহদৈগড়ত প্ৰধানমন্ত্ৰী মোদীক আদৰিবলৈ প্ৰস্তুতি প্ৰায় সম্পৰ্ণ হৈছে৷ এই বিষয়ত আজি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ৰাজ্যখনৰ ইতিহাস আৰু সাংস্কৃতিক ঐতিহ্যক সন্মান জনোৱাৰ লক্ষ্যৰে চলিত মাৰ্চ মাহৰ প্ৰথম সপ্তাহৰ বাবে পৰিকল্পনা কৰা বুলি কয়৷ মোদীৰ অসম ভ্ৰমণৰ সময়ত আছুকে ধৰি কেইবাটাও সংগঠনে আন্দোলন কৰিব খোজাত তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰে৷ মুখ্যমন্ত্ৰীয়ে কয় যে অসমৰ গৌৰৱে আকাশ স্পৰ্শ কৰিবলৈ ওলাইছে৷ তেতিয়াই আন্দোলন আৰম্ভ কৰিবলৈ আহ্বান জনোৱা হৈছে৷ মানুহৰ এনে এটা অংশ আছে। প্ৰধানমন্ত্ৰী মোদীৰ ভ্ৰমণ বীৰ লাচিত বৰফুকনৰ ১২৫ ফুট দৈৰ্ঘ্যৰ প্ৰতিমূৰ্তি উন্মোচন কৰাৰ বাহিৰে আন একো নহয়৷ যদি কোনোবা সঁচাকৈয়ে অসমীয়া, তেন্তে সেইদিনা আন্দোলন নকৰে। আন দিনত আন্দোলন কৰিব পাৰিব। টাই আহোম যুৱ পৰিষদৰ সদস্য দিগন্ত তামুলীয়ে কয় যে লাচিত বৰফুকন হৈছে অসমবাসীৰ গৌৰৱ। লাচিতৰ নিৰ্দেশনাত অসমৰ জনসাধাৰণ আগবাঢ়ি গ'ল। অসমৰ প্ৰতিটো সংগঠনে অন্যায়ৰ বিষয়ে সৰৱ হৈ আছে৷ লাচিত বৰফুকন নাথাকিলেও, এহেজাৰ লাচিত বৰফুকন আছে। প্ৰধানমন্ত্ৰী মোদীয়ে ৯ মাৰ্চত লাচিত বৰফুকনৰ মূৰ্তি উদ্বোধন কৰিব। আমি আশা কৰো কোনোও প্ৰতিবাদ নকৰে। সদৌ অসম টাই আহোম ছাত্ৰ সন্থাৰ মুখপাত্ৰ বসন্ত গগৈয়ে কয় যে গণতান্ত্ৰিক দেশত সকলোৰে গণতান্ত্ৰিকভাৱে প্ৰতিবাদ কৰাৰ অধিকাৰ আছে। অৱশ্যে, আমি প্ৰতিবাদ কৰাৰ পৰা বিৰত থকা উচিত, কিয়নো লাচিত বৰফুকন আমাৰ গৌৰৱ।



কংগ্ৰেছ, উদ্ধৱ নেতৃত্বাধীন শিৱসেনা, শাৰদ পাৱাৰ নেতৃত্বাধীন এনচিপিৰ আৰু প্ৰকাশ আম্বেদকাৰৰ উপস্থিতিত মহাৰাষ্ট্ৰৰ আসন ভাগ-বটোৱাৰাক লৈ বৈঠক

# কংগ্ৰেছৰে গোপন মিত্ৰতাৰ কথা অস্বীকাৰ হাগ্ৰামা মহিলাৰীৰ

**ই সংবাদ, ৬মাৰ্চঃ** বিটিচিৰ মুখ্য বিৰোধী দল বিপিএফৰ মুৰব্বী হাগ্ৰামা মহিলাৰীয়ে আজি মিত্ৰতাক লৈ মুখ খুলিছে৷ আজি মহিলাৰীয়ে কোনো দলৰ সৈতে মিত্ৰতা নহয় বুলি স্পষ্ট কৰে৷ কংগ্ৰেছৰ সৈতেও মিত্ৰতা নকৰো বুলি স্পষ্ট কৰে৷ হাগ্ৰামা মহিলাৰীয়ে আগন্তুক লোকসভা নিৰ্বাচনত অকলে খেলিববুলি ঘোষণা কৰে৷ কংগ্ৰেছৰ সৈতে বিপিএফ নেতাই বৈঠক কৰা বুলি প্ৰচাৰিত খবৰৰ মাজতে হাগ্ৰামা মহিলাৰীয়ে কয় যে কোনোবাই কাৰোবাৰ লগত বহিছে, সেয়া ব্যক্তিগত বৈঠক। মই নিৰ্দেশ দিয়া নাই। দলে বৈঠক কৰিবলৈ দায়িত্ব আলোচনাত বহিলে মই বহিম, মই দলৰ সভাপতি। নিৰ্বাচনৰ তাৰিখ ঘোষণাৰ দুদিন পিছত প্ৰাৰ্থিত্ব ঘোষণা কৰিম বুলি কৈ কোকৰাঝাৰ সমষ্টিত বিপিএফে জয়লাভ কৰিব বুলি দাবী কৰে মহিলাৰীয়ে৷ দিয়া নাই। কিবা বেলেগ কাৰণত বহিব পাৰে।


# শেষ পৃষ্ঠা

## কোহলি আই পিএলত নাথাকে

**বাংগালুৰু, ৬ মাৰ্চঃ** আই পি এল ২০২৪ ৰ প্ৰথম মেছত ৰয়েল চেলেঞ্জাৰ্ছ বাংগালোৰে চেন্নাই চুপাৰ কিংছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। সেই মেছত বাংগালোৰ দলে কিং কোহলি অবিহনেই খেলিব লাগিব। আজি তেনে এক ইংগিত প্ৰদান কৰিছে এ বি ডি ভিলিয়াৰ্ছে। ব্যক্তিগত কাৰণত বিৰাট কোহলিয়ে ইংলেণ্ডৰ বিৰুদ্ধে টেষ্ট শৃংখলাত ভাগ লোৱাৰ পৰা বিৰত আছে। ইতিমধ্যে কোহলিয়ে আই পি এল খেলাকলৈ সন্দেহ প্ৰকাশ কৰিছিল কিম্বদন্তি সুনীল গাভাস্কাৰে।

## সন্দেশখালীত প্ৰধানমন্ত্ৰী মোদীৰ উদাত্ত ভাষণ

**ই সংবাদ,৬মাৰ্চঃ** পশ্চিমবংগৰ সন্দেশখালীৰ নিলম্বিত তৃণমূল কংগ্ৰেছ নেতা শ্বেখ শ্বাহজাহানে যৌন নিৰ্যাতন চলোৱা ভোক্তভোগী মহিলাক প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে সাক্ষাৎ কৰে। তেওঁলোকৰ অৱস্থাৰ বুজ লয় প্ৰধানমন্ত্ৰীগৰাকীয়ে। প্ৰধানমন্ত্ৰীক সাক্ষাৎ কৰি আৱেগিক হৈ পৰে মহিলাসকল। উত্তৰ ২৪ পৰগনা জিলাৰ বৰাছাটত ৰাজহুৱা সমাৱেশৰ অন্তত প্ৰধানমন্ত্ৰীয়ে তেওঁলোকক সাক্ষাৎ কৰে। উল্লেখযোগ্য যে পশ্চিমবংগৰ উত্তৰ ২৪ পৰগনাৰ সন্দেশখালী গাঁৱৰ কেইবাগৰাকীও মহিলাই স্থানীয় তৃণমূল কংগ্ৰেছৰ নেতা শ্বেখ শ্বাহজাহান আৰু তেওঁৰ সহায়কসকলে যৌন নিৰ্যাতন চলোৱাৰ অভিযোগ উত্থাপন কৰিছিল। শ্বেইখ ছাহজাহানৰ দ্বাৰা শাৰীৰিক আতিশয্যৰ বলি হৈছিল মহিলা কেইবাগৰাকী। 'ভাই' নামেৰেও পৰিচিত টিএমচিৰ ৪০ বছৰীয়া নেতাগৰাকীক বিগত সপ্তাহত গ্ৰেপ্তাৰ কৰিছিল আৰক্ষীয়ে। গ্ৰেপ্তাৰৰ পিছতেই শ্বাহজাহানক টিএমচিয়ে ৬বছৰৰ বাবে নিলম্বন কৰে। গাঁওবাসীয়ে শ্বাহজাহান আৰু তেওঁৰ সহযোগীসকলে ভূমি দখল কৰাৰ অভিযোগো উত্থাপন কৰিছে।




## ৰঞ্জিত মধ্যপ্ৰদেশ পৰাস্ত, বীৰদৰ্পে ফাইনেলত প্ৰৱেশ বিদৰ্ভ

**নাগপুৰ, ৬ মাৰ্চঃ** মধ্যপ্ৰদেশক ৬২ ৰানত পৰাস্ত কৰি ৰঞ্জি ট্ৰফীৰ ফাইনেলত প্ৰৱেশ কৰিছে বিদৰ্ভ। পূৰ্বে দুইবাৰকৈ চেম্পিয়ন হোৱা দলটোৱে প্ৰথম ইনিংছত ৮২ ৰানত পিছপৰিও ছেমিফাইনেলত জয়ী হয়। ইয়াৰ বিদৰ্ভ ক্ৰিকেট এচোছিয়েশ্যনৰ খেলপথাৰত ২ মাৰ্চৰ পৰা অনুষ্ঠিত হোৱা খেলখনৰ প্ৰথম দিনাই টছত জয়ীহৈ প্ৰথমে বেটিং কৰি বিপদত পৰে বিদৰ্ভে। মাত্ৰ ৫৬.৪ অভাৰত ১৭০ ৰান কৰি প্ৰথম ইনিংছ সামৰে দলটোৱে। কৰুণ নায়াৰে সৰ্বাধিক ৬৩ ৰান কৰে। বিদৰ্ভৰ এই পতনৰ মূলতে হ'ল মধ্যপ্ৰদেশৰ পেচ বলাৰ আৱেশ খানৰ দুৰ্দান্ত বলিং। তেওঁ চাৰিটা উইকেট দখল কৰে। তেওঁৰ উপৰিও ভেংকটেশ আয়াৰ আৰু কুলন্ত খেজৰলীয়াই দখল কৰে দুটাকৈ উইকেট। ইয়াৰ পিছত মধ্যপ্ৰদেশে হিমাংশু মন্ত্ৰীৰ ১২৬ ৰানৰ সহায়ত ৯৪.৩ অভাৰত ২৫২ ৰান কৰি প্ৰথম ইনিংছ সামৰে। দলটোৱে প্ৰথম ইনিংছত ৮২ ৰানৰ অগ্ৰগতি লাভ কৰে। প্ৰথম ইনিংছত বলিঙত সাফল্য লাভ কৰা মধ্যপ্ৰদেশ দ্বিতীয় ইনিংছত ব্যৰ্থ হয়। ইয়াৰ সুযোগ গ্ৰহণ কৰি বিদৰ্ভে দ্বিতীয় ইনিংছত ১০১.২ অভাৰত ৪০২ ৰান সংগ্ৰহ কৰে। য়াশ ৰাথোৰে ১৪১ আৰু অক্ষয় ৱাডেকাৰে কৰে ৭৭ ৰান। মধ্যপ্ৰদেশৰ অনুভৱ আগৰৱালাই দখল কৰে পাঁচটা উইকেট। জয়ৰ বাবে ৩২১ ৰানৰ লক্ষ্য আগত লৈ মধ্যপ্ৰদেশে ৮১.৩ অভাৰত ২৫৮ ৰান কৰে। দলৰ প্ৰাৰম্ভিক বেটাৰ য়াশ ডুবে (৯৪) বাহিৰে সকলো বেটাৰ ব্যৰ্থ হয়। য়াশ ঠাকুৰ আৰু অক্ষয় ৱাডেকাৰে তিনিটাকৈ উইকেট দখল কৰে। এনেদৰে প্ৰথম ইনিংছত অগ্ৰগতি লাভ কৰিও মুৰকত ৬২ ৰানত পৰাজিত হয় মধ্যপ্ৰদেশ। উল্লেখ্য যে পূৰ্বে দুবাৰ ফাইনেল খেলি দুবাৰেই চেম্পিয়ন হৈছিল বিদৰ্ভ। আহা ১০ মাৰ্চৰ পৰা মুম্বাইৰ ৱাংখাড়ে ষ্টেডিয়ামত ৰঞ্জি ট্ৰফীৰ ফাইনেল অনুষ্ঠিত হ'ব। বিদৰ্ভে মুম্বাইৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। মুম্বায়ে তামিলনাডুক পৰাজিত কৰি ইতিমধ্যে টুৰ্ণামেণ্টখনৰ ফাইনেলত প্ৰৱেশ কৰিছে।




newsnextone.comৰ দ্বাৰা গুৱাহাটীৰ পৰা অনলাইনযোগে প্ৰকাশিত আৰু News Next Oneৰ কাৰ্যবাহী সম্পাদক ধ্ৰুৱজ্যোতি ধনন্তৰিৰ দ্বাৰা সম্পাদিত। ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮
বাৰ্তা সম্পাদকঃ ওৱাহেদৰ ৰহমান